সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১ সংখ্যা, ১৬ পুহ , ৰবিবাৰ, ১৪২৯ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 1 Date Of Publication - 1st January 2023 Rs.10.00/-




## প্ৰধানমন্ত্ৰীৰ মাতৃ হীৰাবেনৰ ১০০ বছৰ বয়সত দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- পঞ্চভূতত বিলীন হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃ হীৰাবেন মোদীৰ নশ্বৰ দেহ । গান্ধীনগৰত মাতৃ হীৰাবেন মোদীৰ শেষ যাত্ৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। মাতৃৰ বিয়োগৰ পিছতে পুৱাই দিল্লীৰ পৰা আহমেদাবাদত উপস্থিত হয় প্ৰধানমন্ত্ৰী মোদী। আহমেদাবাদৰ পৰা গান্ধীনগৰৰ ভাতৃ পংকজ মোদীৰ ঘৰত উপস্থিত হৈ মাতৃৰ

( পাঁচ পৃষ্ঠাত চাওক)

## কিংবদন্তী ফুটবলাৰ পেলেৰ ৮২ বছৰ বয়সত দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিবাৰকৈ বিশ্বকাপৰ খিতাপ জয় কৰা তথা ক্ৰীড়াজগতৰ প্ৰথম বিশ্ব আইকন হোৱা ব্ৰাজিলিয়ান কিংবদন্তী ফুটবলাৰ পেলেৰ ৮২ বছৰ বয়সত মৃত্যু হয়। পেলে তিনিবাৰ বিশ্বকাপ জয় কৰা একমাত্ৰ খেলুৱৈ, যিয়ে ১৯৫৮, ১৯৬২ আৰু ১৯৭০ চনত বিশ্বকাপ জয় কৰিছিল। বিগত মাহত পেলেক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। কৰ্কট ৰোগৰ সৈতে যুঁজি থকা ব্ৰাজিলিয়ান ফুটবলাৰ গৰাকীক ছাও পাওলোৰ এলবাৰ্ট আইনষ্টাইন হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। ১৯৪০ চনৰ ২৩ অক্টোবৰত জন্মগ্ৰহণ কৰিছিল এডছন আৰান্তেছ ডো নাছিমেণ্টোৱে, যাক সমগ্ৰ বিশ্বই 'পেলে' নামেৰে জানে। পিতৃৰ পৰা ফুটবল শিকা পেলেই তিনিবাৰকৈ বিশ্বজয় কৰিবলৈ সক্ষম হৈছিল। ব্ৰাজিলৰ মিনছ গেৰেছ ৰাজ্যত জন্মগ্ৰহণ কৰা মহান খেলুৱৈগৰাকী এতিয়ালৈ ছেলেকাঅ'ৰ বাবে সৰ্বাধিক গ'ল কৰা খেলুৱৈ। তেওঁ ৯৫ খন মেচত ৭৭ গ'ল কৰিছে। ফিফাৰ দ্বাৰা তেওঁক 'দ্য গ্ৰেটেষ্ট' নামেৰে বিভূষিত কৰা হৈছিল। তিনিবাৰকৈ বিবাহপাশত আবদ্ধ হোৱা পেলেৰ মুঠ ৭ টা সন্তান আছে। ৮২ বছৰ বয়সত অন্তিম নিশ্বাস ত্যাগ কৰা পেলে কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ আছিল। দীৰ্ঘদিন ধৰি তেওঁৰ কেমোথেৰাপি চলি আছিল। ২৯ নৱেম্বৰত শ্বাস-প্ৰশ্বাসত কষ্ট পোৱাৰ পিছতে ছাও পাওলোৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। ফুটবল খেলুৱৈ হিচাপে পেলেৰ কেৰিয়াৰ খুব কম বয়সতে আৰম্ভ হৈছিল। পেলেই ১৫ বছৰ বয়সত ছান্তোষৰ ফালৰ পৰা ফুটবল খেলা আৰম্ভ কৰিছিল আৰু ১৬ বছৰ বয়সত ব্ৰাজিলৰ ৰাষ্ট্ৰীয় দলত অন্তৰ্ভুক্ত হৈছিল। পেলেৰ নামত বহু ঈৰ্ষণীয় অভিলেখ খোদিত হৈ আছে। তিনিখন বিশ্বকাপ জিকা পেলেই নিজৰ কেৰিয়াৰত ১২৭৯ টা গ'ল কৰিছে। ইয়াৰ উপৰি ৬ খন ব্ৰাজিলিয়ান লীগৰ খিতাপো দখল কৰিবলৈ সক্ষম হৈছিল।

## ক্ৰিকেটাৰ ঋষভ পণ্টৰ বাহন দুৰ্ঘটনাগ্ৰস্ত



ৰঙিলী বাৰ্ত্তাসেৱা- শুক্ৰবাৰে দিল্লীৰ পৰা ঘৰলৈ উভতি অহাৰ সময়ত ভাৰতীয় ক্ৰিকেটাৰ ঋষভ পন্তৰ বাহন দুৰ্ঘটনাগ্ৰস্ত হয়। ৰুৰকীৰ নৰচান সীমান্তত ক্ৰিকেটাৰগৰাকীৰ বাহনখন দুৰ্ঘটনাগ্ৰস্থ হৈছে। প্ৰাৰম্ভিক তথ্য অনুসৰি, ঋষভক প্ৰথমে ৰুৰকীৰ সাক্ষম চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও বৰ্তমান তেওঁক ডেৰাডুনৰ মেক্স হস্পিটেললৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে। এই দুৰ্ঘটনাৰ পিছত ঋষভ পন্তৰ মন্তব্য আহিছে। কিদৰে এই দুৰ্ঘটনা সংঘটিত হ'ল আৰু গাড়ীৰ পৰা কেনেকৈ ওলাবলৈ সক্ষম হ'ল সেই সম্পৰ্কে মন্তব্য কৰিছে

## সাপ্তাহিক বাতৰি কাকত " ৰঙিলী বাৰ্ত্তা "ৰ সৌজন্যত কবিতা পুথি " দেহে প্ৰাণে কবিতা মোৰ " উন্মোচন তথা বঁটা বিতৰনী সভা




ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ৩০/১২/২০২২ তাৰিখে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্য্য পূৰ্ণ সভাত, যোৰহাট তিতাবৰৰ অষ্টম শ্ৰেণীত পঢ়া ১৪ বছৰীয়া নিতিস্মান দাসৰ "দেহে প্ৰাণে কবিতা মোৰ" নামৰ কবিতাপুথি উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হোমেশ্বৰ কলিতা তথা বিশিষ্ট লেখক আৰু সাহিত্যিক গোপাল জালান দেৱে। এই সভাত সভাপতিত্ব কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক অসমীয়া ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক ড° মুকুল চক্ৰৱৰ্তী দেৱে। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে উদ্যোগপতি পৱন কুমাৰ আগৰৱালা আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কমিউনিটি মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপিকা ডাঃ যুতিকা ওজা। কবিতাপুথিৰ লেখক নিতিস্মান দাসৰ পৰিয়াল বৰ্গৰ লগতে ৰঙিলী বাৰ্ত্তাৰ কৰ্মবিন্দ সকলৰ উপস্থিতিত কিতাপ খন উন্মোচন কৰা হয়। সভাত নিতিস্মানৰ এই প্ৰতিভাক সকলোৱে সম্ভাষণ জনাই আৰু

( পাঁচ পৃষ্ঠাত চাওক)

# মাঘ বিহুৰ পূৰ্বে অথাৎ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত আহিব পাৰে ক'ভিডৰ এছ অ' পি

ৰঙিলী বাৰ্ত্তাসেৱা- ক'ভিডৰ সংক্ৰমণক লৈ সমগ্ৰ বিশ্বৰ লগতে ভাৰততো একপ্ৰকাৰৰ আতংকৰ সৃষ্টি হৈছে। অসমতো এই বিষয়টোক লৈ চৰকাৰে বিশেষ চিন্তা-চৰ্চা আৰম্ভ কৰিছে। ক'ভিডৰ সংক্ৰমণ প্ৰতিহত কৰিবলৈ ইতিমধ্যে সাজু হৈছে অসমৰ স্বাস্থ্য বিভাগ। এই সন্দৰ্ভত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই সংবাদ মাধ্যমৰ আগত ক'ভিডৰ এছ অ' পি সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে। স্বাস্থ্যমন্ত্ৰীয়ে সদৰি কৰা অনুসৰি জানুৱাৰীৰ প্ৰথম সপ্তাহতে অসমত আহিব পাৰে ক'ভিড এছ অ' পি। ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে অসম চৰকাৰে। নতুন বৰ্ষৰ প্ৰথম সপ্তাহতে মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত কোনো সিদ্ধান্ত ল'ব পাৰে। আনহাতে মাস্ক পৰিধানৰ ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে কয় যে, মাস্ক পৰিধান কৰাটো জনতাৰ বাবে ভাল। ৰাজহুৱা স্থানত মাস্ক পৰিধান কৰি থাকক।

# এটকা, দুটকাকৈ টেকেলিত জমা কৰা খুচুৰা পইচাৰে বাইক কিনিলে ডিব্ৰুগড়ৰ এজন যুৱকে

ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত এখন বাইক কিনাৰ সপোন পূৰ্ণ হ'ল পলাশৰ। টেকেলিত জমা কৰা খুচুৰা পইচাৰে বাইক কিনিলে ডিব্ৰুগড়ৰ এজন যুৱকে। ডিব্ৰুগড়ৰ চহৰীকটাৰ পলাশ দাস নামৰ এজন যুৱকে কেইবাবছৰৰ প্ৰচেষ্টাত ক্ৰয় কৰিলে এখন বাইক। টেকেলিত এটকীয়া, দুটকীয়া, পাচঁ আৰু দহটকীয়া মুদ্ৰা জমা কৰি কৰি যুৱকজনে ক্ৰয় কৰিলে বাইক। ডিব্ৰুগড়ৰ নন্দন বাজাজ শ্ব'ৰুমত যুৱকজনে খুচুৰা পইচাখিনি জমা দিয়াৰ পিছতে পইচা গণনা কৰিবলৈ বহিল শ্ব'ৰুমৰ সকলো কৰ্মচাৰী। মুঠ ৩৫ হাজাৰ টকাৰ মুদ্ৰা জমা দি যুৱকজনে ডাউন পেমেণ্ট দি ক্ৰয় কৰিলে ৯৫ হাজাৰ টকা মূল্যৰ এখন বাইক।

# বিনিয়োগ আৰু সমাজসেৱাৰ মাজেৰেই নিজৰ জীৱন পাৰ কৰিলে ৰতন টাটাই



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰখ্যাত ভাৰতীয় উদ্যোগপতি ৰতন টাটাৰ ৮৫ তম জন্মদিন। ১৯৮১ চনত তেওঁ টাটা উদ্যোগৰ "ডাইৰেক্টৰ" হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ১৯৯১ চনত টাটা গ্ৰুপৰ "চেয়াৰমেন" পদত ৰতন টাটাক নিযুক্তি দিয়া হৈছিল। ৰতন টাটা দেশৰ ভিতৰতে ধনী মুম্বাইৰ এটা পাৰ্চী পৰিয়ালৰ সদস্য। উদ্যোগ প্ৰতিষ্ঠান, বিনিয়োগ আৰু সমাজসেৱাৰ মাজেৰেই নিজৰ জীৱন পাৰ কৰিলে ৰতন টাটাই। এতিয়াও আৰ্তজনৰ বাবে দেশৰ প্ৰান্তে প্ৰান্তে বিলাই দিছে এখন সহায়ৰ হাত, অনুভূতিৰ চাপ। ধন-যশ, খ্যাতি-প্ৰাচুৰ্য কি নাছিল জীৱনত! তাৰ পিছতো কিয় অবিবাহিত হৈ ৰ'ল ৰতন টাটা? কিয় চিৰকুমাৰ জীৱন বাচি ললে টাটাই, প্ৰেয়সীৰ সৈতে কিয় বিয়া নহ'ল ৰতন টাটাৰ এই সকলো প্ৰশ্নৰ উত্তৰ তেওঁ নিজেই উল্লেখ কৰিছে। হিউমেন্স অৱ বম্বে নামৰ এটা পেজত ৰতন টাটাই মুকলিভাবে ৰাজহুৱা কৰিছিল নিজৰ প্ৰেম কাহিনী। তেওঁ কৈছিল, 'তেওঁ এসময়ত প্ৰেমত পৰিছিল আৰু প্ৰেয়সীৰ সৈতে বিয়া হোৱালৈকে ভাবিছিল। অৱশ্যে সেয়া সফল হোৱা নাছিল আৰু সেই সম্পৰ্কটো বিচ্ছিন্ন হৈ পৰিছিল। বিফল সম্পৰ্কৰ আঁৰৰ এটা মূল কাৰণ আছিল ১৯৬২ চনৰ ইণ্ডো-চাইনা যুদ্ধ। ৰতন টাটাই প্ৰকাশ কৰিছে যে তেওঁ কৰ্ণেল বিশ্ববিদ্যালয়ৰ পৰা স্নাতক সম্পূৰ্ণ কৰাৰ পিছত বিবাহপাশত আৱদ্ধ হোৱাৰ কথা ভাবিছিল।' উদ্যোগপতিজনে কৈছিল, 'কলেজৰ পিছত মই লছ এঞ্জেলছৰ এটা প্ৰতিষ্ঠানত মই দুবছৰ কাম কৰিছিলো। এইটো এটা ভাল সময় আছিল। মোৰ নিজৰ গাড়ী আছিল আৰু মই মোৰ কামটো ভাল পাইছিলো। মই তাতেই প্ৰথম প্ৰেমত পৰিছিলো আৰু প্ৰায় বিবাহ পাশত আৱদ্ধ হোৱাৰ কথা ভাবিছিলো। কিন্তু একে সময়তে মই অস্থায়ীভাৱে ভাৰতলৈ ঘূৰি যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলোঁ কাৰণ মই মোৰ আইতাৰ পৰা আঁতৰি আছিলোঁ, যি প্ৰায় ৭ বছৰ ধৰি অসুখত ভুগি আছিল। গতিকে মই আইতাক লগ কৰিবলৈ ঘূৰি আহিছিলো আৰু ভাবিছিলো যে মই বিয়া কৰিব বিচৰা প্ৰেয়সী গৰাকীয়েও মোৰ সৈতে ভাৰতলৈ আহিব। কিন্তু ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ বাবে তেওঁৰ পিতৃ-মাতৃয়ে তেওঁক আহিবলৈ দিয়া নাছিল আৰু তেতিয়াৰে পৰা আমাৰ সম্পৰ্কৰ বিচ্ছেদ ঘটে।"

# এক জানুৱাৰীৰ পৰা বৃদ্ধি পাব যান - বাহনৰ দাম

ৰঙিলী বাৰ্ত্তাসেৱা- নতুন বছৰত ভাৰতত গাড়ী তথা দুচকীয়া বাহনৰ দাম বৃদ্ধি পাব জানুৱাৰীৰ পৰা বিভিন্ন কোম্পানীৰ গাড়ীৰ দাম ১-৩ শতাংশ বৃদ্ধি পাব বুলি কোৱা হৈছে। মাৰুতি ছুজুকি, হুণ্ডাই, টাটা মটৰ্ছ, অডি, মাৰ্ছিডিজ বেঞ্জকে ধৰি গাড়ী নিৰ্মাতা কোম্পানীসমূহে বৃদ্ধি পোৱা উৎপাদন ব্যয়ৰ বোজা পাতলোৱাৰ বাবে এই সিদ্ধান্ত লৈছে। বাহন নিৰ্মাতাসকলে আগতেই প্ৰকাশ কৰিছিল যে আন কাৰকৰ লগতে ছেমিকণ্ডাক্টৰ নাটনিৰ বাবে গাড়ীৰ দাম বৃদ্ধি পাব। কভিড- ১৯ৰ বাবে সৃষ্টি হোৱা পৰিৱেশে সৃষ্টি কৰা ব্যৱধান ছেমিকণ্ডাক্টৰকে ধৰি আন কিছুমান সা-সঁজুলিৰ নাটনিৰ লগতে ভাৰতত গাড়ীৰ বিক্ৰী বৃদ্ধি পোৱাৰ ফলত দাম বৃদ্ধি পাইছে। কোম্পানীসমূহে প্ৰকাশ কৰা মডেল অনুসৰি দাম বৃদ্ধিৰ হাৰ ভিন্ন ভিন্ন হ'ব। মাৰুতি ছুজুকিয়ে প্ৰকাশ কৰা অনুসৰি উৎপাদন ব্যয় বৃদ্ধি পোৱাৰ বাবে কোম্পানীটোৱে দুচকীয়া বাহনৰো দাম বৃদ্ধি পাব। হুণ্ডাই মটৰ ইণ্ডিয়াৰ আই টেন নিয়ছ, ক্ৰেটা, ভেনু ভাৰ্না আৰু টাকছনৰ দাম এক জানুৱাৰীৰ পৰা বৃদ্ধি পাব। জানুৱাৰীৰ পৰা কিয়াৰ বিভিন্ন মডেলৰ দাম ৫০ হাজাৰ টকা পৰ্যন্ত বৃদ্ধি পাব। হুণ্ডা কাই ইণ্ডিয়াই কেইটামান মডেলৰ দাম ৩০ হাজাৰ টকা পৰ্যন্ত বৃদ্ধি কৰিব। জীপৰ দামো ২-৪ শতাংশ বৃদ্ধি পাব।

# ভাৰত আৰু উত্তৰ-পূবৰ আটাইতকৈ ধনী আৰু দুখীয়া মুখ্যমন্ত্ৰী কোন জানেনে

ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ ৩০ জন মুখ্যমন্ত্ৰীৰ অন্তিম নিৰ্বাচনী শপতনামাৰ বিশ্লেষণে চমকপ্ৰদ তথ্য প্ৰকাশ কৰিছে। নিৰ্বাচনী শপতনামাত দাখিল কৰা তথ্যৰ ভিত্তিত প্ৰকাশ পাইছে দেশৰ ৩০ জন মুখ্যমন্ত্ৰীৰ সম্পত্তিৰ তালিকা। অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ৱাই এছ জগন মোহন ৰেড্ডী ভাৰতৰ আটাইতকৈ ধনী মুখ্যমন্ত্ৰী হোৱাৰ বিপৰীতে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ সম্পত্তি আটাইতকৈ কম বুলি দ্য প্ৰিণ্টে প্ৰকাশ কৰিছে। ইফালে, উত্তৰ-পূবৰ আঠজন মুখ্যমন্ত্ৰীৰ ভিতৰত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আটাইতকৈ দুখীয়া। ১০০ কোটি টকাৰ অধিক সম্পত্তি থকা ভাৰতৰ একমাত্ৰ মুখ্যমন্ত্ৰী হৈছে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু। পেমা খাণ্ডুৰ মুঠ সম্পত্তিৰ মূল্য ১৩২ কোটি টকা। আনহাতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মুঠ সম্পত্তিৰ মূল্য মাত্ৰ ১.০৪ কোটি। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ তিনিগৰাকী পত্নী আছে। তেওঁৰ তিনিওগৰাকী পত্নী চৰকাৰী কৰ্মচাৰী। ইফালে উত্তৰ পূবৰ দুগৰাকী মুখ্যমন্ত্ৰীৰ হাতত আছে অস্ত্ৰ। মুখ্যমন্ত্ৰী দুগৰাকী হৈছে ছিকিমৰ মুখ্যমন্ত্ৰী পি এছ তামাং আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিং। ছিকিমৰ মুখ্যমন্ত্ৰী পি এছ তামাঙৰ হাতত আছে ৩ লাখ টকাৰ ব'ৰ ৰিভলভাৰ আৰু বীৰেন সিঙৰ আছে ১.৭৫ লাখ টকাৰ এটা পিষ্টল।

# গুৱাহাটীৰ মাজমজিয়াত গীতানগৰ আৰক্ষীৰ এনকাউণ্টৰ





ৰঙিলী বাৰ্ত্তাসেৱা- এনকাউণ্টৰত আহত দুই চোৰক জিএমচিএইচত ভৰ্তি। আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলাওতে দুই চোৰক আৰক্ষীৰ গুলী। গুলিবিদ্ধ চোৰ দুটা হৈছে মুকেশ কুমাৰ আৰু গৌৰৱ পাল উৰফে লম্বু। দুয়োৰে ঘৰ মহানগৰীৰ বামুণীমৈদামত। গুৱাহাটী নবীন নগৰ অঞ্চলত সংঘটিত হৈছে এই গুলিচালনাৰ ঘটনা। চেইন আৰু মোবাইল চুৰিৰে গুৱাহাটীত সন্ত্ৰাস চলাই আহিছিল চোৰ দুটাই। পলায়নৰ চেষ্টা চলাওতে আৰক্ষীয়ে দুই চোৰক ভৰিত গুলীয়াই। ভৰিত গুলিবিদ্ধ চোৰ দুটা বৰ্তমান সুস্থ বুলি জানিব পৰা গৈছে।

# ৰাষ্ট্ৰীয় অপেন নেচনেল ৰেঙকিং সাতোঁৰত উত্তৰ গুৱাহাটীৰ দুগৰাকী প্ৰতিভাবান খেলুৱৈৰ সফলতা

ৰঙিলী বাৰ্তাসেৱা- হাইদৰাবাদত সদ্য সমাপ্ত প্ৰথম ৰাষ্ট্ৰীয় অপেন নেচনেল ৰেঙকিং সাতোঁৰত স্থান লাভ কৰিছে উত্তৰ গুৱাহাটীৰ দুগৰাকী প্ৰতিভাবান খেলুৱৈয়ে। ছুইমিং ফেডাৰেচন অ’ফ ইণ্ডিয়া অধীনত আয়োজিত প্ৰতিযোগিতাখনিত অসমৰ দলৰ হৈ প্ৰতিনিধিত্ব কৰা উত্তৰ গুৱাহাটীৰ দুগৰাকী উদিয়মান সাতোঁৰ খেলুৱৈ যথাক্ৰমে কমল কৃষ্ণ দাস, ভৈৰবী বড়োৱে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সন্তৰণবিদ সকলৰ সৈতে সমানে ফেৰ মাৰি ৰাষ্ট্ৰীয় ৰেঙকিং লাভ কৰে। ভৈৰবী বড়োৱে ৪০০ মিটাৰ ফ্ৰী ষ্টাইলত দেশৰ ভিতৰতে ১৯ তম ৰেঙকিং লাভ কৰে। কমল কৃষ্ণ দাসে ৰাষ্ট্ৰীয় ৰেঙকিংত ২০০ মিটাৰ বেক ষ্ট্ৰোকত ১২নং ৰেঙকিং আৰু ২০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকত ১৯ তম ৰেঙকিং লাভ কৰে। কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সাতোঁৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে খেলুৱৈসকলৰ সফলতাত আনন্দ প্ৰকাশ কৰি দুয়োৰে উজ্জল ভৱিষ্যত কামনা কৰি শুভেচ্ছা জনাইছে।

# ঢেকীয়াজুলিৰ ৰাক্ষসমাৰীত এগৰাকী যুৱতীক এচিডেৰে আক্ৰমণ

ৰঙিলী বাৰ্তাসেৱা- ঢেকীয়াজুলিৰ ৰাক্ষসমাৰীত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। এগৰাকী যুৱতীক এচিডেৰে আক্ৰমণ। বাচ্চু ক’ৰ নামৰ এজন ব্যৱসায়ীয়ে এচিডেৰে আক্ৰমণ কৰে যুৱতী গৰাকীক। এচিড আক্ৰমণৰ ফলত যুৱতীগৰাকী গুৰুতৰভাৱে আহত হয়। আক্ৰমণৰ ফলত যুৱতীগৰাকীৰ পিঠি, ডিঙি, বাওঁহাত, গাল আৰু মূৰত আঘাতপ্ৰাপ্ত হোৱা বুলি জানিব পৰা গৈছে। লগে লগে যুৱতীগৰাকীক হাস্পতালত ভৰ্তি কৰোৱা হয়। বৰ্তমান আই চি ইউত চিকিৎসাধীন যুৱতীগৰাকী। ঘটনাটো সংঘটিত কৰিয়ে আক্ৰমণকাৰী বাচ্চু ক’ৰে ঢেকীয়াজুলি থানাত আত্মসমৰ্পণ কৰে। যুৱতী গৰাকীক কিয় এচিড আক্ৰমণ কৰিলে তাক বৰ্তমান লৈকে জানিব পৰা নাই। ঘটনাক লৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

# ৰঞ্জিত পাটগিৰিৰ কাব্যগ্ৰন্থ ‘ছেফটিপিন’ উন্মোচন




ৰঙিলী বাৰ্তাসেৱা-কবি-সাংবাদিক ৰঞ্জিত পাটগিৰিৰ ‘ছেফটিপিন’ শীৰ্ষক এখন কাব্যগ্ৰন্থ উন্মোচন কৰা হয়। গুৱাহাটীৰ চানমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত অনুষ্ঠিত হৈ থকা অসম গ্ৰন্থমেলাৰ বাকৰিত গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট কবি নীলিম কুমাৰে। উন্মোচকৰ ভাষণত কবি নীলিম কুমাৰে কয়-‘ছেফটিপিন পুৰুষে ব্যৱহাৰ নকৰে। নাৰীয়ে জানে ছেফটিপিনৰ প্ৰয়োজনীয়তা। গতিকে এইখন নাৰীকেন্দ্ৰিক কবিতা পুথি হ’ব বুলি অনুমান কৰিব পাৰি। ৰঞ্জিত পাটগিৰীয়ে দীৰ্ঘদিনধৰি কবিতা লিখি আহিছে। তেওঁৰ কবিতা সহজ-সৰল। সকলো পাঠকে বুজি পোৱা ধৰণে ৰঞ্জিতে কবিতা লিখে’। ইফালে, অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ‘অসমীয়া প্ৰতিদিন’ৰ সহযোগী সম্পাদক সঞ্জীৱ কুমাৰ ফুকনে কয়- ‘ৰঞ্জিত পাটগিৰি যিমান সহজ-সৰল ল’ৰা, সিমানে তেওঁৰ কবিতাও সহজ। ৰঞ্জিত পাটগিৰীয়ে কবিতাৰে এচাম পাঠক সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে’।

এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত কাব্য সমালোচক বিপুল শৰ্মাইও বক্তব্য ৰাখে। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়া, কবি জোনমনি দাস, মানসজ্যোতি, দ্বীপৰাজ, ৰাহুল গৌতম শৰ্মা, অভিজিত বৰা, মন্দিৰা গগৈকে ধৰি বহুসংখ্যক ব্যক্তি উপস্থিত থাকে। ইফালে কাব্য সংকলন ‘ছেফটিপিন’ সন্দৰ্ভত কবি ৰঞ্জিত পাটগিৰিয়ে জনোৱা অনুসৰি গ্ৰন্থখনত বিগত প্ৰায় এটা দশকত লিখা বহু কেইটা কবিতা সন্নিবিষ্ট কৰা হৈছে। বিশেষকৈ কবিতা পুথিখনত সন্নিবিষ্ট প্ৰায়ভাগ কবিতাই প্ৰেমৰ কবিতা। গ্ৰন্থখনত থকা কবিতাসমূহ পঢ়ি পাঠকে এক সুকীয়া কাব্যৰস পাব বুলি কবি পাটগিৰিয়ে উল্লেখ কৰে। গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে ভাষা প্ৰকাশনে। ইফালে প্ৰকাশক মুকুট শৰ্মাইও ‘ছেফটিপিন’ কাব্যগ্ৰন্থখন পাঠকে আদৰি ল’ব বুলি আশা ব্যক্ত কৰে।

# বড়ো আধুনিক গীতৰ স্ৰষ্টা কনক লাল স্বৰ্গীয়াৰী সোঁৱৰণী সংগীত আৰু চিত্ৰাংকণ প্ৰতিযোগিতা

ৰঙিলী বাৰ্তাসেৱা- বিগত বছৰ কেইটাৰ দৰে এইবাৰো বড়ো আধুনিক গীতৰ স্ৰষ্টা তথা সমন্বয় শিল্পী কনকলাল স্বৰ্গীয়াৰীৰ ষষ্ঠ মৃত্যুবাৰ্ষিকী ২৮ ডিচেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাণীকান্ত প্ৰেক্ষাগৃহত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ১৯৬০ চনত দূৰদৰ্শনত প্ৰথম বড়ো ভাষাৰ অনুষ্ঠান আৰম্ভ হোৱাৰে পৰা বড়ো ভাষাৰ শিল্পী মোহনীমোহন ব্ৰহ্ম, নীলেশ্বৰ ব্ৰহ্ম, গোপাল বড়ো আৰু কনকলাল স্বৰ্গীয়াৰীয়ে বড়ো সংগীত জগতলৈ অনবদ্য বৰঙনি আগবঢ়াইছিল। কনকলাল স্বৰ্গীয়াৰী কেৱল গীতিকাৰে নাছিল তেওঁ আছিল সমন্বয়ৰ বাহক। ১৯৭৬ চনত কোকৰাঝাৰত যেতিয়া গোষ্ঠীগত সংঘৰ্ষ হৈছিল তেতিয়া দুৰ্গত লোকৰ সহায়ৰ বাবে তেওঁলোকৰ মাজলৈ গৈ সমন্বয় গীত গাইছিল কনকলাল স্বৰ্গীয়াৰীয়ে। তেওঁৰ ষষ্ঠ মৃত্যুবাৰ্ষিকী অনুষ্ঠানৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত আধুনিক গীত আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। সদৌ অসম ভিত্তিত আধুনিক গীতৰ বাবে প্ৰয়াত কনকলাল স্বৰ্গীয়াৰীৰ গীতসমূহকেই নিৰ্ধাৰণ কৰা হয়। বিজয়ী প্ৰতিযোগীসকলক নগদ ধন আৰু মানপত্ৰসহ সন্মানিত কৰা হয়। প্ৰতিযোগিতাত কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ৰাষ্ট্ৰীয় ছিনিয়ৰ, জুনিয়ৰ, ছাব জুনিয়ৰ ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপ

ৰঙিলী বাৰ্তাসেৱা- চাইক্লিং এছ’চিয়েশ্বন অৱ আছামৰ উদ্যোগত, অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ সহযোগত তথা চাইক্লিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ তত্বাৱধানত সোণাপুৰস্থিত লক্ষ্মীবাঈ ৰাষ্ট্ৰীয় শাৰিৰীক শিক্ষা প্ৰতিষ্ঠানত চলি থকা ৭৪ সংখ্যক ছিনিয়ৰ, ৫১ সংখ্যক জুনিয়ৰ আৰু ৩৭ সংখ্যক ছাব-জুনিয়ৰ ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপৰ চতুৰ্থ দিনাৰ অন্তলৈ ৰে’লৱে স্প’ৰ্টছ প্ৰমোশ্বন ব’ৰ্ডে পদক তালিকাত শীৰ্ষ স্থান অধিকাৰ কৰিছে। ৰে’লৱে স্প’ৰ্টছ প্ৰমোশ্বন ব’ৰ্ডে এতিয়ালৈ ৮টা স্বৰ্ণ, এটা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, মণিপুৰে ৭টা সোণ, ৩টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক তালিকাত দ্বিতীয় স্থানত থকাৰ উপৰি হৰিয়ানাই ৫টা সোণ, ৪টা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক তলিকাৰ তৃতীয় স্থানত আছে। ইফালে, ২টা ব্ৰঞ্জৰ পদক লাভ কৰি আয়োজক অসম তালিকাৰ ষষ্ঠদশ স্থানত আছে।

# মৃন্ময় গোস্বামীৰ বিয়োগত শোকসভা

ৰঙিলী বাৰ্তাসেৱা- তথ্য আৰু জনসংযোগ সঞ্চালকালয়ত অনুষ্ঠিত এক শোকসভাত অৱসৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া মৃন্ময় গোস্বামীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰা হয়। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত সঞ্চালক বিষ্ণু কমল বৰাৰ সভাপতিত্বত তেওঁৰ কাৰ্যালয়কক্ষত অনুষ্ঠিত সভাত উপস্থিতসকলে প্ৰয়াত গোস্বামীৰ সৈতে কাম কৰাৰ অভিজ্ঞতা আৰু তেখেতৰ কৰ্মদক্ষতাৰ কথা স্মৰণ কৰে। আজিৰ সভাই গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট সময় ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত গোস্বামীয়ে পত্নীৰ লগতে এগৰাকী কন্যা সন্তান এৰি থৈ গৈছে।

# ৰঞ্জী ট্ৰফীত অসমৰ চমকপ্ৰদ জয়লাভ

ৰঙিলী বাৰ্তাসেৱা- ৰঞ্জী ট্ৰফীত হায়দৰাবাদৰ বিৰুদ্ধে অসমৰ চমকপ্ৰদ জয়লাভ। প্ৰথম ইনিংছত পিছ পৰিও চমকপ্ৰদ জয়লাভ কৰিবলৈ সক্ষম হয় অসমে। ঘৰুৱা দলটোৱে হায়দৰাবাদৰ বিৰুদ্ধে ১৮ ৰানত জয়লাভ কৰে। দ্বিতীয় ইংনিছত জয়ৰ বাবে ২৫০ ৰানৰ লক্ষ্য দিছিল অসমে। আনহাতে ২৩১ ৰানতে সকলো উইকেট হেৰুৱায় পৰাস্ত হয় হায়দৰাবাদ। ৰিয়ান পৰাগৰ দুৰ্দান্ত বেটিং-বলিঙৰ সহায়ত অসমে জয়লাভ কৰিবলৈ সক্ষম হয়। মেচখনত ৰিয়ানে ২৮টা বলত ৭৮ ৰান কৰে।

# পশ্চিম বংশৰ মৌজাত সাহিত্য চৰ্চা

মনোৰঞ্জন শৰ্মা

**যোৰাখণ্ডৰ পৰা**

অঞ্চলটোৰ বিভিন্ন গাঁৱত থকা অনুষ্ঠান-প্ৰতিষ্ঠান সমূহেও সাহিত্য সংস্কৃতি বিকাশত অৰিহণা যোগাই আহিছে আৰু এইবোৰৰ ২৫ বছৰ ৫০ বছৰ পূৰ্তি উপলক্ষে প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ সমূহেও এদল সাহিত্য সেৱীৰ সৃষ্টি কৰাৰ লগতে সাহিত্যৰ ভঁৰালো নিশ্চয় টনকিয়াল কৰিছে।

প্ৰাচীন কালৰে পৰা ব'হাগৰ দোমাহীত হাতমাল, মল্লযুঁজ আদিৰে বামুন্দীত বিহু পালন কৰিছিল। পৰৱৰ্তী সময়ত ১৩৩২ ভাস্কৰাব্দৰ পৰা বামুন্দী বিহু সন্মিলনৰ জৰিয়তে আনুষ্ঠানিক ভাবে বিহু পালন কৰা হয়। ১৯৭৬ চনতেই বামুন্দী বিহু সন্মিলনে পঞ্চাশ বছৰ পূৰ্ণ কৰি 'সোণালী জয়ন্তী' পালন কৰে আৰু 'স্মৃতিৰ ৰহঘৰা' নামেৰে এখনি স্মৃতি গ্ৰন্থ প্ৰকাশ কৰে।

বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰাল হৈছে বামুন্দী গাঁৱৰ এটি কেন্দ্ৰীয় অনুষ্ঠান। ১৯৪৮ চনতে স্থাপন হোৱা পুথিভঁৰালটোৱে বৃহত্তৰ অঞ্চলটোত শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াৰ বিকাশত অৰিহণা যোগাই আহিছে। অনুষ্ঠানটোৱে ১৯৭৭ চনত 'ৰূপালী জয়ন্তী' আৰু ১৯৯৮ চনত 'সোণালী জয়ন্তী' উদ্‌যাপন কৰি 'স্মৃতিচয়ন ' নামকৰণৰে স্মৃতিগ্ৰন্থ দুখন প্ৰকাশ কৰিছিল আৰু কিছু নন লেখকৰ সৃষ্টি কৰিছিল। সম্পাদনা কৰিছিল যথাক্ৰমে শ্ৰী মহেশ চন্দ্ৰ মেধি আৰু শ্ৰীগুৰু প্ৰসাদ শৰ্মাই।

১৯৫০ চনতে স্থাপিত বামুন্দী হাইস্কুল অঞ্চলটোৰ এখনি পুৰণি শিক্ষানুষ্ঠান আৰু ২০০১ চনত ই পঞ্চাশ বছৰ পূৰ্তি উপলক্ষে এখনি উচ্চ মানদণ্ডৰ স্মৃতি গ্ৰন্থ শ্ৰীতীৰ্থনাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশ পাইছিল আৰু এচাম ন-পুৰণি লেখকৰ বহুতো মূল্যবান লেখনি প্ৰকাশ পাইছিল।

১৯৫০ চনতেই স্থাপিত গাঁওখনৰ প্ৰথম প্ৰাথমিক বিদ্যালয় 'বামুন্দী বুনিয়াদী বিদ্যালয়'ৰ সোণালী জয়ন্তী উপলক্ষে ২০০২ চনত এখনি স্মৃতিগ্ৰন্থ শ্ৰী তাৰক বৰুৱাৰ সম্পাদনাত প্ৰকাশ পায়।

বামুন্দী দুৰ্গা পূজাৰ ইতিহাসো পুৰণি। ১৯৩৫ চনতেই আৰম্ভ হোৱা বামুন্দী দুৰ্গা পূজাৰ হীৰক জয়ন্তী ২০০৫ চনত পালন কৰা হয়। আৰু এখনি 'হীৰক জয়ন্তী' নামেৰে স্মৃতিগ্ৰন্থ শ্ৰী বলেন চন্দ্ৰ দাসৰ সম্পাদনাত প্ৰকাশ পায়।

'অংকুৰ' বামুন্দীৰ উদ্যোগত আজিৰ পৰা কিছু বছৰ আগতে সদৌ অসম ভিত্তিত শ্ৰীমান চক্ৰৱৰ্ত্তী সোঁৱৰণী একাঙ্ক নাট প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল আৰু ইয়াৰ লগত সংগতি ৰাখি 'অংকুৰ' নামেৰে এখনি স্মৃতিগ্ৰন্থৰ কেইবাটাও সংখ্যা প্ৰকাশ পাইছিল আৰু বহুতো বিজ্ঞলোকৰ লিখনি তাত প্ৰকাশ পাইছিল।

১৯৯৬ চনতে স্থাপিত 'শংকৰদেৱ শিশু নিকেতন' বামুন্দী বৃহত্তৰ অঞ্চলৰ এখনি অগ্ৰণী শিক্ষানুষ্ঠান। ২০০৯ ইং চনত নিকেতনৰ মুখপত্ৰ 'ভাৰতী' নিকেতন পৰিচালনা সমিতি বামুন্দীৰ দ্বাৰা প্ৰকাশ পায়।

উত্তৰ পূব ভাৰতৰ হৰিদেৱ সংঘৰ ৩৬ তম্ বামুন্দী অধিবেশনখনি ২০১৩ চনত তিনিদিনীয়াকৈ বামুন্দীত অনুষ্ঠিত হয় আৰু ইয়াৰ লগত সংগতি ৰাখি 'হৰিদেৱজ্যোতি' নামেৰে এখনি উচ্চ মানদণ্ডৰ স্মৃতিগ্ৰন্থ শ্ৰীমনোৰঞ্জন শৰ্মাৰ সম্পাদনাত প্ৰকাশ পাইছিল।

সোৱানচাহ আভা পুথিভঁৰালৰ 'সোণালী জয়ন্তী' আৰু সোৱানচাহ নৱ জাগৰণ শিল্পী আৰু ক্ৰীড়া সন্থাৰ 'ৰূপালী জয়ন্তী উপলক্ষে 'আভা' নামেৰে এখনি স্মৃতি গ্ৰন্থ প্ৰকাশ পায় ২০০৭ চনত।

কয়াটোল কৃষক সংঘ গ্ৰন্থালয়ৰ 'সোণালী জয়ন্তী উপলক্ষে 'স্বৰ্ণকলি' নামেৰে এখনি স্মৃতিগ্ৰন্থ ২০০২ চনত আৰু কয়াটোল প্ৰাথমিক বিদ্যালয়ৰ 'সোণালী জয়ন্তী' মহোৎসৱ উপলক্ষে 'স্বৰ্ণলিপি' নামেৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ পায় ২০০৮ চনত।

সৰুলাহ শ্যামাপূজা সমিতিৰ সৌজন্যত শ্যামাপূজাৰ শতবৰ্ষ উপলক্ষে ২০০০ চনতেই 'মাতৃ' নামেৰে এখনি স্মৰণিকা প্ৰকাশ পায় আৰু এইবোৰ স্মৃতি গ্ৰন্থই সাহিত্য ভৰাল চহকী কৰিছে। কলিতা জনগোষ্ঠী সন্মিলনৰ কামৰূপ জিলা সমিতিৰ ৰম বাৰ্ষিক লাহ অধিবেশনৰ স্মৰণিকা 'লাহেশ্বৰী' প্ৰকাশ পায় ২০০৬ চনত। টোক্ৰাদিয়া নৱজ্যোতি সংঘৰ 'ৰূপালীজয়ন্তী বৰ্ষ' উপলক্ষে ১৯৯৫ চনতেই এখনি স্মৃতি গ্ৰন্থ প্ৰকাশ পায়।

সতীৰ্থ সন্মিলন বামুন্দী হাইস্কুলৰ ১৯৭৭ বৰ্ষৰ দ্বাৰা 'সতীৰ্থ সুবাস' নামেৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ পায় ২০১৭ ইং চনত শ্ৰীপবিত্ৰ কুমাৰ কলিতাৰ সম্পদনাত। সতীৰ্থ সন্মিলন বামুন্দী হাইস্কুলৰ ১৯৭৮ আৰু ১৯৭৯ বৰ্ষৰ দ্বাৰা স্মৃতিৰ সৌৰভ নামেৰে এখনি স্মৃতি গ্ৰন্থ প্ৰকাশ পায় ২০১৮ ইং বৰ্ষত শ্ৰী অলকা দেৱীৰ সম্পাদনাত। ২০২২ ইং বৰ্ষত সতীৰ্থ সন্মিলন ১৯৭৬ ইং বৰ্ষৰ দ্বাৰা শ্ৰীঅমিয় কুমাৰ দাসৰ সম্পাদনাত "সতীৰ্থ দাপোণ" নামেৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ পায় আৰু আটাই কেইখনৰ লিখনিয়ে স্মৃতি গ্ৰন্থ কেইখন সমৃদ্ধ কৰিছে।

পশ্চিম বংশৰ আঞ্চলিক অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পৰিষদৰ দ্বাৰা 'পৰিচয়' নামেৰে এখনি স্মৃতি গ্ৰন্থ প্ৰকাশ পায় শ্ৰী প্ৰসাদ শৰ্মাৰ সম্পাদনাত ২০১৮ চনত। দামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 'সোণালী জয়ন্তী' উপলক্ষে ২০১৯ ইং বৰ্ষৰ জানুৱাৰী মাহত 'কাঞ্চনপ্ৰভা' নামেৰে এখনি স্মৃতিগ্ৰন্থ মঃ ইৰফানুল হক তালুকদাৰৰ সম্পাদনাত প্ৰকাশ পায়।

দামপুৰ ইছলামীয় মাদ্ৰাছাৰ 'সোণালী জয়ন্তী' উপলক্ষে এখনি স্মৃতিগ্ৰন্থ 'আল্‌বালাগ' ২০০২ চনতে মঃ ইৰফানুল হক তালুকদাৰৰ সম্পাদনাত প্ৰকাশ পায়।

সাম্প্ৰতিক কালত অঞ্চলৰ বিশিষ্ট লোকসকলৰ মৃত্যুৰ পিছতো কোনো অনুষ্ঠানৰ লগতে পৰিয়ালৰ উদ্যোগত বহুতো সোঁৱৰণী গ্ৰন্থ প্ৰকাশ হোৱা দেখা যায়। সোঁৱৰণী গ্ৰন্থবোৰত লিখনী আগবঢ়োৱা এচাম ন-পুৰণি লেখকৰ লেখনি সমূহেও সাহিত্যৰ ভঁৰালত এক নতুন মাত্ৰা প্ৰদান কৰিছে। আমাৰ অঞ্চলৰ পৰা প্ৰকাশ পোৱা তেনেধৰণৰ সোঁৱৰণী গ্ৰন্থ সমূহ হৈছে।

বামুন্দী হাইস্কুলৰ দ্বিতীয় শিক্ষক (Second Sir) ৰ নামে পৰিচিত প্ৰয়াত হৰিকান্ত শৰ্মাৰ সোঁৱৰণত ২০০৫ চনত এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায়।

বামুন্দী হাইস্কুলৰ কৃতী শিক্ষক তথা ক্ষেত্ৰিহাৰদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ প্ৰয়াত ৰমেশ চন্দ্ৰ কলিতাৰ সোঁৱৰণত ২০০৯ চনত 'স্মৃতি অৰ্ঘ্য' নামেৰে এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায়।

বামুন্দী হাইস্কুলৰ কৃতী শিক্ষক তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰয়াত ধীৰেন্দ্ৰ চন্দ্ৰ কলিতাৰ সোঁৱৰণত ২০১০ চনত 'অনিৰ্বাণ' নামেৰে এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায়।

বামুন্দী হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক তথা এগৰাকী অঞ্চলৰ আগশাৰীৰ সমাজকৰ্মী প্ৰয়াত লক্ষেশ্বৰ দাসৰ সোঁৱৰণত ২০১১ চনত তেখেতৰ মৃত্যুৰ ৩৪ বছৰ পিছত



'ব্যক্তিত্ব জিজ্ঞাসা' নামেৰে এখনি উচ্চ মানবিশিষ্ট সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায়।

মুক্তিযোদ্ধা, সমাজ-কৰ্মী তথা চিকিৎসক প্ৰয়াত উত্তম চন্দ্ৰ শৰ্মাৰ মৃত্যুৰ বছৰেকীয়া তিথিত 'সঞ্জীৱনী' নামেৰে এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায় ২০১২ ইং চনত।

অগ্ৰণী সমাজকৰ্মী, সাহিত্যিক তথা অঞ্চলৰ সিংহপুৰুষ প্ৰয়াত শ্ৰীমান চক্ৰৱৰ্ত্তীৰ মৃত্যুৰ পঁচিশ বছৰ পিছত ২০১৩ চনত 'শ্ৰীধাৰা' নামেৰে এখনি বৃহৎ কলেবৰৰ সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায় য ত অসমৰ বৰেণ্য সাহিত্যিকসকলৰ বহুতো লেখনী প্ৰকাশ পায়।

'বামুন্দী হাইস্কুলৰ কৃতী শিক্ষক প্ৰয়াত দামোদৰ দেৱ শৰ্মাৰ সোঁৱৰণত ১ম মৃত্যুবাৰ্ষিকী উপলক্ষে 'স্মৃতিৰ ৰেণুকণা' নামেৰে এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায়।

এগৰাকী অগ্ৰণী সমাজকৰ্মী মুক্তিযোদ্ধা তথা বামুন্দী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক প্ৰয়াত আদ্যনাথ চক্ৰৱৰ্ত্তীৰ

*(আঠপৃষ্ঠাত চাওক)*

# কবিতা

**নিতিশ্মান দাস,অষ্টম শ্ৰেণী**



কবিতা, কি কবিতা লিখিম,
মই জানো কিবা জ্ঞান দিব পাৰিম।
কবিতা মানেই বা কি,
হৃদয় স্পৰ্শী হবনে বাৰু মোৰ লিখনি।
কিহক লৈনো মই কবিতা লিখিম,
কবিতাৰ শিৰোনাম কি বুলি বাৰু দিম।
কেই শাৰী মই বাৰু কবিতা লিখিম,
কেনে শব্দৰ মই বাৰু প্ৰয়োগ কৰিম ।
কেনেকৈ মই বাৰু প্ৰশংসা কৰিম,
কেনেকৈ পাঠকৰ হৃদয় জিনিব পাৰিম ।
বিচাৰি কবিতা মই পথাৰ গৈ পাওঁ,
প্ৰতিটো বস্তু মই প্ৰাণ ভৰি চাওঁ ।
আছে কাষতে সোণালী ধাননি,
ওচৰতে আছে যেন সৰু-সৰু আলি।
সৌৱা চোৱা ! ধানবোৰে নাচিব ধৰিছে,
সৌৱা চোৱা ! চৰাইবোৰেও গীত জুৰিছে।
বতাহক সুধিলোঁ মোৰ কবিতা পালানে ?
বতাহেও সুধিলে কবিতা ভাবিছানে ?
মোৰ কবিতাৰ বাৰু ছন্দ মিলিবনে !
মোৰ কবিতা কাৰোবাৰ বাৰু প্ৰেৰণা হবনে !
নতুন দিনৰ সপোন দেখো দেখিলেই সোণালী ধান,
প্ৰকৃতিৰ মই যেন এটি সন্তান।
ধৰা আৰু সমাজৰ বাবে কবিতা লিখিম,
ধৰা আৰু সমাজৰ উন্নতি কৰিম।

# সাপ্তাহিক বাতৰি কাকত " ৰঙিলী বাৰ্ত্তা "

ৰঙিলীবাৰ্ত্তাৰ মুখ্য সম্পাদক উদ্দীপ্ত নয়ন মেধিৰ নতুন প্ৰজন্মক আগুৱাই নিয়াৰ এই প্ৰচেষ্টাক উপস্থিত সকলোৱে ভূয়সী প্ৰসংশা কৰে। সভাত গোপাল জালান দেৱে স্বৰ্গীয় মহেশ চন্দ্ৰ মেধিৰ লগত তেঁওৰ সম্পৰ্কৰ কথা সোৱৰে লগতে অনলাইনৰ এই যুগতো যে কিতাপৰ মূল্য বহু বেছি তাক বাখ্যা কৰে। সভাত বিশিষ্ট শিক্ষাবিদ ড° হোমেশ্বৰ কলিতা দেৱে সাপ্তাহিক ৰঙিলী বাৰ্ত্তাৰ এই প্ৰচেষ্টাক ধন্যবাদ দি নিতিষ্মানৰ বাবে আশীৰ্বাদ সূচক চমু বক্তব্য দাঙি ধৰে। বিশিষ্ট অতিথি পৱন কুমাৰ আগৰৱালা দেৱে ৰঙিলী বাৰ্ত্তাৰ প্ৰতিষ্ঠাতা স্বৰ্গীয় মহেশ চন্দ্ৰ মেধিৰ লগত থকা তেওঁৰ পুৰণা সম্পৰ্কৰ কথা কয় আৰু নিতিষ্মানক আৰু আগুৱাই যোৱাৰ বাবে অনুপ্ৰেৰণা মূলক বক্তব্য দাঙি ধৰে। ডাঃ যুতিকা ওজা দেৱীও নিতিষ্মানৰ এই কামক প্ৰশংসা কৰে। সভাপতি ড° মুকুল চক্ৰৱৰ্তী ডাঙৰীয়াই আজিৰ প্ৰজন্মক নিজৰ ইচ্ছা মতে সৎ পথ বাছি লৈ আগবাঢ়ি যোৱাৰ পোষকতা কৰে। সভাত যোৱা ১৭ জুনত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত অনলাইন চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফলৰ বিজয়ী সকল ক্ৰমে প্ৰথম - মেঘৰাগিনী বৰা, দ্বিতীয়- দেৱস্মৃতা পাল, তৃতীয়- দীক্ষিত বেজবৰুৱাক সম্বৰ্ধনা জনোৱা হয় । শেষত ৰঙিলী বাৰ্ত্তাৰ স্বত্বাধিকাৰী উদ্দীপ্ত নয়ন মেধি ডাঙৰীয়াই শলাগৰ শৰাইৰ আগবঢ়োৱাৰ লগতে কবিতা লিখকক সম্বৰ্ধনা আগবঢ়াই আৰু প্ৰস্তুতি শৰ্মাক কনিষ্ঠ সাংবাদিক বঁটা প্ৰদান কৰাৰ লগতে সকলোলৈ নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰে।

## প্ৰধানমন্ত্ৰীৰ মাতৃ হীৰাবেন

অন্তিম যাত্ৰাত যোগদান কৰে মোদীয়ে। পৰিয়ালৰ আন সদস্যসকলৰ সৈতে মাতৃৰ নশ্বৰদেহ কান্ধত লৈ গাড়ীলৈ লৈ যায় প্ৰধানমন্ত্ৰী মোদীয়ে। মাতৃৰ শেষ যাত্ৰাত উপস্থিত থাকে মোদীৰ ভাতৃ পংকজেও। উল্লেখযোগ্য যে কিছুদিন ধৰি বাৰ্ধক্যজনিত কাৰণত হাস্পতালত চিকিৎসাধীন হৈ আছিল হীৰাবেন মোদী। আজি পুৱতি নিশা তিনি বজাত আহমেদাবাদৰ এখন হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে মোদীৰ মাতৃয়ে। মৃত্যু সময়ত হীৰাবেন মোদীৰ বয়স হৈছিল ১০০ বছৰ। গান্ধীনগৰৰ ছেক্টৰ ৩০ৰ শ্মশানত হীৰাবেন মোদীৰ অন্ত্যেষ্টিক্ৰিয়া কৰা হয়। মোদী গান্ধীনগৰত উপস্থিত হোৱাৰ পিছতে হীৰাবেন মোদীৰ নশ্বৰদেহ অন্ত্যেষ্টিক্ৰিয়াৰ বাবে লৈ যোৱা হয়।

## ক্ৰিকেটাৰ ঋষভ পণ্ট

ক্ৰিকেটাৰজনে। ঋষভ পন্তে কয় যে বাহনখন তেওঁ নিজেই চলাইছিল। গাড়ী চলাই থাকোতে তেওঁৰ সামান্য টোপনি আহিছিল। যাৰ ফলত বাহনখনে ডিভাইডাৰত খুন্দা মাৰে আৰু এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। তেওঁ কয় যে দুৰ্ঘটনাকৰ পিছত উইণ্ড' স্ক্ৰীণ ভাঙি বাহিৰলৈ ওলাইছিল। দুৰ্ঘটনাটোৰ প্ৰাৰম্ভিক তথ্য অনুসৰি, ঋষভে মূৰ, ভৰি আৰু পিঠিত গুৰুতৰভাৱে আঘাত পাইছে।


JANASANYOG- 3638/22



# শুভ নৱবৰ্ষ ২০২৩

সংযুক্তা দত্ত
দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়




বছৰৰ আৰম্ভণিত এটা শুভেচ্ছা নিজক দিব। এটা বছৰ আমি পোৱা মানে সেয়া হ'ল আমাৰ বাবে এক উপহাৰ। নতুন বছৰে আমাৰ বাবে নতুন নতুন আশাবোৰ লৈ আহে। ৰং বিৰংঙৰ সপোন দেখুৱাই। পিছৰ বছৰত কৰি অহা কামবোৰ আৰু ভালদৰে কৰিবলৈ মন যায়। বছৰৰ লগে লগে আমাৰ বয়স বোৰো বাঢ়ি যায়। ঠিক এনেদৰে যেনেদৰে ২৪ ঘণ্টা যোৱা মানে এদিন গুচি যায়। ৩০ দিন যোৱা মানে এটা মাহ গুচি যায়। ৩৬৫ দিন ১২মাহ ৫২ সপ্তাহ গুচি যোৱা মানে এটা বছৰ শেষ হোৱা । এনেদৰেই মানুহৰ বয়স আৰু বছৰ গুচি যায়। বছৰো নৰয় আৰু বয়সো। নতুনক আদৰাৰ হেপাঁহ সকলোৰে থাকে। এনেও আমাৰ নতুন শব্দটো শুনিলেই মনটো ভাল লাগি যায়। নতুন বছৰৰ শুভেচ্ছা থাকিল সকলোলৈ। নিজে ভালে থাকক আৰু আনকো ভালে ৰাখক।

## ৰং

প্ৰিন্সিপ্ৰিয়া গগৈ,
পঞ্চম শ্ৰেণী, টীয়ক



ৰামধেনু বহুৰঙী
নীল আকাশত দেখোঁ
উদয় হোৱা অস্ত যোৱা ৰং
সঁচাকৈ মনোমোহা।
শাওণ মাহৰ পথাৰ সেউজীয়া
আঘোণ মাহৰ থোকা সোণবৰণীয়া
নীলা পাহাৰৰ ৰঙ বিনন্দীয়া
আমাৰ জীৱনলৈ আনে
সুখ-শান্তিৰ নিজৰা।

## ভূপেন মামা

অভিলাষা গগৈ,
পঞ্চম শ্ৰেণী, টীয়ক



অ'মোৰ ভূপেন মামা
তুমি বৰ মহান আত্মা
তোমাৰ গীত উঠে গা
তুমি হ'লা অসমৰ আকাশত
জিলিকি থকা তৰা।
তোমাৰ মাত বৰ শুৱলা
তুমি হ'লা সকলোৰে মৰমৰ মামা।

# নৱবৰ্ষ, বনভোজ আৰু খন্তেকীয়া সুখ




শৈলেন কুমাৰ, মিৰ্জা

সমাগত ইংৰাজী নৱবৰ্ষ, ৰাজ্যৰ লগতে সকলো দেশে বিদেশে এতিয়া নৱবৰ্ষক আদৰিবলৈ বিভিন্ন কাৰ্যসূচী হাতত লোৱা পৰিলক্ষিত হৈছে। এক উখলমাখল পৰিৱেশ সকলো দিশে, সকলোৱে নৱবৰ্ষক আদৰিবলৈ প্ৰস্তুতি আৰম্ভ কৰিছে । তাৰলগতে আৰম্ভণি হৈছে বনভোজৰ, প্ৰকৃতিৰ সেউজীয়া পৰিৱেশৰ মাজত এদিন সকলোৱে পৰিয়াল তথা বন্ধু বান্ধৱে মিলিজুলি এসাঁজ একেলগে খোৱালোৱা কৰি নৱবৰ্ষক আদৰাৰ হেপাঁহ। এদিনৰ বাবে আনন্দত মোটলিয়া হৈ কিছু সুখ অনুভৱ কৰাৰ হেপাঁহ ।এতিয়া আহোঁ অন্য এক কথালৈকে সুখী হবলৈ আমি সুখৰ সংজ্ঞা কিমানে বুজি পাওঁ? আমি সুখ ক'ত বিচাৰি ফুৰিছোঁ, নিম্ন আৰু অপ্ৰয়োজনীয় সুখ বিচাৰি আমি আমাৰ জীৱনৰ লগতে পৃথিৱীখনক ও বিনাশৰ ফালে ঠেলি দিছোঁ।

পৃথিৱীত এনেকোনো ব্যক্তি নাই যিজনে নিম্নতম সুখৰ পৰিৱৰ্তে উচ্চতম সুখ বাচনি কৰিব নোৱাৰে । সাধাৰণতে নিম্ন স্তৰৰ যিবোৰ সুখৰ বিকল্প সেইবোৰ সহজ আৰু উচ্চস্তৰৰ সুখে আমাৰ পৰা বহু মূল্য বিচাৰে যিটো মূল্য আমি দিবলৈ প্ৰস্তুত নহয় ।

আচলতে আমাৰ সমস্যা হৈছে আমি মানি লবলৈ কঠিন অনুভৱ কৰোঁ যে আমি উদিগ্নতা আৰু বহু সমস্যাৰে জৰজৰিত, শুদ্ধ অৰ্থত ক'লে আমি সকলোৱে দুখৰ অনুভৱ কৰোঁ। আমি যিমানেই সুখৰ আয়োজন কৰোঁ সেয়াই ইয়াকেই বুজাই যে আমি আন্তৰিকভাৱে দুখৰ অনুভৱ কৰোঁ। আমি বাস্তৱত সুখী নহয়, কিন্তু এই কথা আমাৰ অহংকাৰে মানিবলৈ কুণ্ঠাবোধ কৰে, সাধাৰণতে আমি যিবোৰ নিম্ন সুখৰ পাছত দৌৰি ফুৰোঁ বাস্তৱত সেইবোৰ সুখৰ মূল্য নাই। প্ৰকৃতাৰ্থত আমি জীৱন সলনি কৰাৰ প্ৰয়োজন। আমি উচ্চতম সুখ লাভ কৰা চেষ্টা কৰিব লাগে কিন্তু তাত কঠোৰ পৰিশ্ৰম আৰু মূল্য দিয়াৰ প্ৰয়োজন, যিটো আমি সহজতে দিব নিবিচাৰোঁ। সুখৰ বিবিধা আৰু স্তৰ বেলেগ বেলেগ। যিমান উচ্চ স্তৰৰ সুখ আমি বিচাৰোঁ, সিমানেই উচ্চ স্তৰৰ আমাৰ জীৱন হব।

# বিভিন্ন ৰোগত পৰম্পৰাগত চিকিৎসা পদ্ধতি

ডাঃবিজিতা চুতীয়া
বি.এ.এম.এচ., এম.ডি(আয়ুৰ)
জেষ্ঠ গৱেষক, বিকালী মডেল হস্পিতাল, ধূপধাৰা



ৰোগ নিৰাময়ৰ বাবে অতীজৰে পৰা নানান চিকিৎসা পদ্ধতি পৰম্পৰাগতভাৱে চলি আহিছে। ভাৰতবৰ্ষত পৰম্পৰাগত ভাৱে প্ৰচলিত পাঁচ হাজাৰ বছৰতকৈ পুৰণি আয়ুৰ্বেদিক চিকিৎসা পদ্ধতি বৰ্ত্তমানে বিশ্বৰ প্ৰান্তে প্ৰান্তে সমাদৃত হৈছে। জীৱনৰ জ্ঞান বুলি সংস্কৃত ভাষাত অভিহিত কৰা আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিক বৰ্ত্তমান বিকল্প চিকিৎসা বুলি গণ্য কৰা হয়।

আয়ুৰ্বেদৰ উৎপত্তি সম্পৰ্কে পোৱা কাহিনী অনুযায়ী সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই মানৱ শৰীৰৰ ৰোগ নিৰাময়ৰ অৰ্থে ব্ৰহ্মসংহিতা নামেৰে এক লক্ষ শ্লোক সন্নিৱিষ্ট এখনি গ্ৰন্থ ৰচনা কৰি দক্ষ প্ৰজাপতিক আয়ুৰ্বেদৰ উপদেশ প্ৰদান কৰে। তাৰ পিছত অশ্বিনী কুমাৰদ্বয়, ইন্দ্ৰ, আত্ৰেয়, মুনি, চৰক, সুশ্ৰুত প্ৰমুখ্যে ভাৰতীয় ঋষি মুনিসকলে আয়ুৰ্বেদ অধ্যয়ন কৰি বিভিন্ন গ্ৰন্থ ৰচনা কৰে। সেই সময়ৰ পৰাই সমগ্ৰ বিশ্বজুৰি আয়ুৰ্বেদ সম্প্ৰসাৰণ হৈ আছে।

পৰম্পৰাগত চিকিৎসা পদ্ধতি আয়ুৰ্বেদ শাস্ত্ৰই মানৱ জাতিৰ স্বাস্থ্য ৰক্ষা আৰু ৰোগ নিবাৰণৰ ক্ষেত্ৰত অতীজৰে পৰা বিশেষ অৱদান আগবঢ়াই আহিছে। মহৰ্ষিচৰকে "চৰক সংহিতাত" কৈছে যিখন শাস্ত্ৰত হিত আয়ু (পথ্য), অহিত আয়ু (অপথ্য), আয়ুৰ মান, আয়ুৰ স্বৰূপ বৰ্ণনা কৰা হৈছে সেইয়াই আয়ুৰ্বেদ। ইয়াৰ উপৰিও সুশ্ৰুত সংহিতা, অষ্টাংগ হৃদয় ইত্যাদি সংহিতাত আয়ুৰ্বেদ চিকিৎসাৰ বিভিন্ন নীতি, তত্বৰ লগতে প্ৰাচীন ভাৰতত ব্যৱহৃত ঔষধ আৰু সেইসমূহৰ গুণাগুণৰ বিষয়ে উল্লেখ আছে।

আয়ুৰ্বেদ চিকিৎসাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ লগতে অন্যান্য ৰাজ্য চৰকাৰসমূহে বিভিন্ন ৰাজ্যত আয়ুৰ্বেদিক শিক্ষানুষ্ঠান তথা চিকিৎসালয় প্ৰতিষ্ঠা কৰিছে। ইয়াৰ উপৰিও ব্যক্তিগত খণ্ডৰ উদ্যোগত বহুতো আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় গঢ় লৈ উঠিছে। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠাপোষকতাত বিভিন্ন ৰাজ্যত আয়ুৰ্বেদ চিকিৎসা পদ্ধতিৰ গৱেষণাগাৰৰ (Central Council for Research in Ayurvedic Sciences) প্ৰতিষ্ঠা হয়। ২০১৪ চনত ভাৰত চৰকাৰে সুকীয়াভাৱে আয়ুষ মন্ত্ৰালয় গঠন কৰে। ইয়াৰ লগতে বিভিন্ন ৰাজ্যত ৰাষ্ট্ৰীয় আয়ুষ অভিযানৰ অধীনত বিভিন্ন আঁচনি ৰূপায়ন কৰি আয়ুৰ্বেদিক চিকিৎসা পদ্ধতি সৰ্বসাধাৰণ ৰাইজৰ মাজত বহুলভাৱে প্ৰচাৰ কৰিবলৈ সক্ষম হৈছে। ভৰত চৰকাৰে ১৯৭১ চনত ভাৰতীয় চিকিৎসাৰ কেন্দ্ৰীয়

(নপৃষ্ঠাত চাওক)


JANASANYOG- 3634/22
জনতাৰ চৰকাৰ
my GOV মেরী সরকার
GOVERNMENT OF ASSAM
অসম চৰকাৰ
অসম চৰকাৰৰ দায়বদ্ধতা
আৰ্তজনৰ আৰ্থিক নিৰাপত্তা
১০ তাৰিখ
পেঞ্চন আৰু
অৰুণোদয়ৰ দিন
প্ৰতিমাহৰ ১০ তাৰিখে
হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰাপ্য ধন
মুঠ হিতাধিকাৰী - ৩৯,৮২,৪৯৫গৰাকী
প্ৰতিমাহে ধন আদায় - ২৯৪.১৭ কোটি টকা
আঁচনিসমূহ
অৰুণোদয়
শ্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন
ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন
দীনদয়াল দিব্যাংগজন সাহায্য
ৰাষ্ট্ৰীয় দিব্যাংগ, বিধৱা আৰু বৃদ্ধ পেঞ্চন আঁচনি
অৰুণোদয় আঁচনিৰ প্ৰতিগৰাকী
হিতাধিকাৰীলৈ অক্টোবৰ, ২০২২ৰ পৰা
বিদ্যুৎ মাচুলৰ সাহায্য হিচাপে প্ৰতিমাহে অতিৰিক্ত ২৫০ টকাকৈ
সৰ্বমুঠ লাভ কৰিছে ১,২৫০ টকা
তথ্য আৰু জনসংযোগ সঞ্চালকালয়,অসমৰ দ্বাৰা প্ৰচাৰিত
Subscribe to Asom Barta
Whatsapp 'Assam' at 8287912158

# টিউটৰৰ জীৱনৰ বাবে এটি দুৰ্ঘটনা

ফখৰুদ্দিন আহমেদ



জীৱনৰ প্ৰায় ২৩ টা বসন্ত গৰকি এখনি বিদ্যালয় গঢ়ি তুলি নাম পালো টিউটৰ। সাম্প্ৰতিক সময়ত জাতি, মাটি, ভেটি আৰু মোগলৰ সৈতে শেষ ৰণ বুলি ঘোষণা কৰি নিৰ্বাচনী বৈতৰণী পাৰ হৈ অসমত দ্বিতীয় বাৰৰ বাবে চৰকাৰ গঠন কৰা ভাৰতীয় জনতা পাৰ্টিৰ জনপ্ৰিয় চৰকাৰ খনে শিক্ষকৰ মৰ্যদা দিলে আমাক কিন্তু শিক্ষক নামাকৰণ আৰু উপযুক্ত বেতনৰ পৰা বঞ্চিত কৰি ৰাখিলে। মোৰ নিজৰ শিক্ষক হ'বলৈ জোখাৰে শিক্ষাগত অৰ্হতা থকাৰ পিছতো বঞ্চিত হ'লো। ২০১৭ চনৰ আৰু ২০১৮ চনৰ সংশোধনী বিদ্যালয় প্ৰাদেশীকিকৰন আইন মতে যে মোৰ পদটি হৈছে স্নাতকোত্তৰ শিক্ষক পৰ্যায়ৰ। বেতন মাহিলী ১৬২০০ টকা। তাৰ পৰা ১৮০ টকা প্ৰফেচনেল টেক্স কটাৰ পিছত ১৬০২০ টকা লাভ কৰোঁ। ঘৰৰ পৰা পৰলৈ সকলোৱে ভাবে ডাঙৰ চাকৰিয়াল। কিন্তু মোৰ দৰে পৰ্যায়ৰ সকলোৰে ভিতৰুৱা অৱস্থা ভুক্তভোগীৰ বাহিৰে বেলেগৰ অনুমেয় বুলি ভাবিবৰ থল কোনো কাৰণতে নাই।

মই নিজে সন্দিহান আছিলোঁ যে হঠাতে মোৰ কিবা দুৰ্ঘটনা হ'লে কি হ'ব? আল্লাহৰ ওচৰত দোৱা কৰি আছিলোঁ তেনে একো অঘটন যাতে নঘটে। কিন্তু ঘটি গ'ল সেই অনাকাংক্ষিত দুৰ্ঘটনাটি। চলিত ২০২২ বৰ্ষৰ ১৬ ডিচেম্বৰৰ ৰাতিপুৱা প্ৰায় ৮-৩০ বজাত অসম বিখ্যাত গৰুখুটী কৃষি প্ৰকল্পৰ ওচৰৰ ৰাজাপুখুৰী গাঁৱত। ভাগ্য ভাল যে মোৰ বাইক খনৰ স্পীড ২০ পৰা ৩০ ৰ ভিতৰত আছিল। ৰাস্তাৰ বিপৰীত ফালৰ পৰা আহি থকা দুটা গৰুৱে হঠাতে মোৰ ফালে দৌৰি আহি মোক বগৰাই পেলালে আৰু মোৰ বাও হাতৰ কান্ধৰ টেমিটো বেয়াকৈ ফাটি গ'ল।

সিমানলৈ ঠিকেই আছিল কিন্তু কেনা আৰম্ভ হ'ল ডাক্তৰৰ ওচৰ পোৱাৰ পিছৰ পৰা। এক্সৰে কৰাৰ পিছত ডাক্তৰে ক'লে অপাৰেশ্যন বা প্লাষ্টাৰ যিকোনো এটাত ঠিক হৈ যাব। অপাৰেশ্যনত যাঠি হাজাৰ টকা পৰিব আৰু প্লাষ্টাৰত সকলো মিলি দুই হাজাৰ টকা খৰছ পৰিব। মই প্লাষ্টাৰকেই বাছনি কৰিলো। কাৰণ টকাৰ সঙ্কট। প্লাষ্টাৰ হ'লে সপ্তাহৰ মুৰে মুৰে ডাক্তৰৰ ওচৰলৈ চেক্ আপৰ বাবে গৈ থাকিব লাগিব আৰু প্ৰতি বাৰতে এক্সৰে কৰাব লাগিব। মোৰ গাঁৱৰ পৰা ডাক্তৰ জনক লগ কৰিবলৈ মঙ্গলদৈলৈ যাব লাগিব। অহা-যোৱা মিলি প্ৰায় ৮৫ কিলো মিটাৰ। অহা-যোৱা কৰিব লাগিব চাৰি চকীয়া সৰু গাড়ীৰে। সেইখন ল'ব লাগিব ভাড়াত। প্ৰতি সপ্তাহৰ খৰছ হৈছে প্ৰায় দুই হাজাৰ টকাকৈ। সমস্যা হৈছে সেই খিনিতেই। মুঠৰ ওপৰত মোৰ আৰ্থিক সঙ্কটে বিপদ সীমা অতিক্ৰম কৰি বাৰুকৈয়ে জুৰুলা কৰিছে।

এটি পিছ পৰা অঞ্চলত স্থানীয় ৰাইজৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি এখনি শিক্ষানুষ্ঠান গঢ়ি তুলি মোৰ নিচিনা বহুতে জীৱন যৌৱন বলিদান দিয়াৰ বাবে অসম চৰকাৰৰ অযৌক্তিক সিদ্ধান্তৰ বলি হ'লো।

কেইদিনমান পূৰ্বে সমাপ্ত হোৱা অসম চৰকাৰৰ শীতকালীন অধিৱেশনত জীৱন যান্ত্ৰনাত চটফটাই থকা টিউটৰ সকলৰ সমস্যাৰ সম্পৰ্কত কোনো আলোচনাই স্থান নোপোৱাতো আমাৰ দৰে টিউটৰ সকলৰ বাবে সচাঁকৈয়ে চিন্তাৰ কাৰণ হৈ পৰিছে।

সামান্য এটি বাইক দুৰ্ঘটনাত পতিত হোৱাৰ পিছত বিছনাত থাকিব লগা হোৱাত পৰিয়ালটো পোহপাল দিয়াৰ ক্ষেত্ৰত হোৱা বেমেজালিয়ে মোক পুনৰ নতুনকৈ ভাবিবলৈ বাধ্য কৰিছে। ইতিমধ্যে আমাৰ মাজৰ পৰা কিছুমানে কিয় আত্মহত্যাৰ দৰে চৰম সিদ্ধান্তগ্ৰহণ কৰি আমাৰ মাজৰ পৰা বিদায় লৈছিল তাকো হৃদয়ঙ্গম কৰিব পাৰিছো।

নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ সৈতে চৰকাৰ চলোৱাৰ সময়ৰ

*(নপৃষ্ঠাত চাওক)*

# মোৰ ভন্টীজনী

**অভিনৱ দত্ত,**
**সপ্তম শ্ৰেণী, টীয়ক**



মোৰ এজনী ভন্টী আছে
নাম তাইৰ অংকিতা
তাই খাই ভাল পায়
পকা পকা অমিতা।
পঢ়া শুনাত মন নাই
খেলিবলৈ ভাল পায়
পঢ়া টেবুলৰ পৰা
জুমি থাকে
দেউতাই চকলেট
আনিছেনে নাই।
আহোম আৰু মোগলে
কৰিছিল ৰণ
পঢ়িবলৈ দিলেও পঢ়াত
নবহে তাইৰ মন।
ৰাতিপুঁৱা সোনকালে
নেৰে বিছনা
চাহৰ লগত লাগে তাইক
সদায় চানা।

# পশ্চিম বংশৰ মৌজাত

সোঁৱৰণত প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে ২০১৩ চনত 'অভিজ্ঞানম' নামেৰে এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায়।

বামুন্দী হাইস্কুলৰ অৱসৰী শিক্ষক সমাজকৰ্মী দামপুৰ নিবাসী আলহাজ চেকেণ্ডাৰ আলী তালুকদাৰৰ সোঁৱৰণত "স্মৃতিৰ দস্তাবেজ" নামেৰে এখনি সোঁৱৰণী গ্ৰন্থ ২০১৭ চনত প্ৰকাশ পায়।

বামুন্দী হাইস্কুলৰ অৱসৰী শিক্ষক সৰুলাহ নিবাসী গনেশ চন্দ্ৰ শৰ্মাৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে 'বৰ্ণিল জীৱনৰ স্বৰ্ণিল গাঁথা' শীৰ্ষক এখনি সোঁৱৰণী গ্ৰন্থ ২০২১ চনত প্ৰকাশ পায়।

বামুন্দী গাঁৱৰ উদ্যোগী যুৱক ৰমেন চন্দ্ৰ কলিতা আৰু কলা-সংস্কৃতিৰ পূজাৰী হালোগাঁও নিবাসী শশাঙ্ক দাস কলিতাৰ (চন্দন) অকাল মৃত্যু অঞ্চলটোৰ বাবে এক অপূৰণীয় ক্ষতি। দুয়োজনাৰ বিয়োগত সোঁৱৰণী গ্ৰন্থ হিচাপে যথাক্ৰমে 'মহানুভৱতাৰ উজ্জ্বল নিদৰ্শন' (২০১৮) আৰু 'চন্দন' (২০১৯) নামেৰে সোঁৱৰণী গ্ৰন্থ দুখন প্ৰকাশ পায়। ২০২১ আৰু ২০২২ ইং বৰ্ষতো শশাংক দাস কলিতা সোঁৱৰণী একাংকিকা নাট প্ৰতিযোগিতা উপলক্ষে একোখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায়।

সাহিত্য সংস্কৃতিৰ সাধক তথা দামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক টোৱাদিয়া গাঁৱৰ সুযোগ্য সন্তান ভবেশ কলিতাৰ মৃত্যু অঞ্চলটোৰ বাবে এক অপূৰণীয় ক্ষতি। কলিতাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ২০১৯ ইং বৰ্ষতেই এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ পায় 'সাহিত্য সংস্কৃতিৰ সাধক ভবেশ কলিতা স্মাৰক গ্ৰন্থ' নামেৰে।

উল্লিখিত সোঁৱৰণী গ্ৰন্থ সমূহৰ সম্পাদনাৰ দায়িত্বত থকা ব্যক্তিসকল হৈছে প্ৰয়াত দয়াল কৃষ্ণ বৰা, প্ৰয়াত কেশৱানন্দ নাথ, শ্ৰী পবিত্ৰ কুমাৰ কলিতা, শ্ৰী মনোৰঞ্জন শৰ্মা, শ্ৰী শংকৰ দাস, শ্ৰী বংকিম শৰ্মা, শ্ৰী মালা ভট্টাচাৰ্য্য, ডাঃ অনিল কুমাৰ শৰ্মা, শ্ৰী সত্যৰাম কলিতা, মঃ ইফানুল হক তালুকদাৰ আৰু শ্ৰী দীনেশ কলিতা।

বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় আৰু বহুতো সংঘৰ ছত্ৰছায়াত সময়ে সময়ে বিভিন্ন নামেৰে প্ৰাচীৰ পত্ৰিকাসমূহ প্ৰকাশ পাই আহিছে। উদীয়মান যুৱক-যুৱতীসকলৰ বাবে এইবোৰো সাহিত্য চৰ্চাৰ এক উৎস বুলি কব পাৰি।

ওপৰত উল্লিখিত ধৰণে সাহিত্য চৰ্চা মৌজাখনৰ গাঁও সমূহত অব্যাহত আছে। অৱশ্যে সম্পূৰ্ণ তথ্যৰ আধাৰত যুগুতোৱা প্ৰবন্ধটিৰ উপৰিও আমাৰ অৱগতিৰ বাহিৰে কোনোৱে যদি সাহিত্য চৰ্চা অব্যাহত ৰাখিছে তেওঁলোকলৈ আমাৰ শুভাশীষ থাকিল আৰু অজ্ঞাতভাৱে আমাৰ প্ৰৱন্ধৰ আওতালৈ আনিব নোৱাৰাৰ বাবে আমি ক্ষমা বিচাৰিছোঁ।

সামৰণিত ইয়াকে ক'ব বিচাৰিছোঁ যে- গ্ৰন্থ হৈছে মানুহৰ বহুযুগৰ পৰম বন্ধু। একোখন ভাল গ্ৰন্থই একোটা প্ৰজন্মক উচ্চ চিন্তা আৰু আত্মোৎকৰ্ষৰ ভাব জগাই তুলিব পাৰে। যুগ যুগ ধৰি গ্ৰন্থই মানুহক এক অনাবিল আনন্দ প্ৰদান কৰি আহিছে। একোখন গ্ৰন্থ একোজন নিঃ সঙ্গ মানুহৰ বাবে অমূল্য সম্পদ লগতে জীয়াই থকাৰ প্ৰেৰণা। গ্ৰন্থ হৈছে জ্ঞানৰ ভঁৰাল। গ্ৰন্থৰ মাজতে আমি এই বিনন্দীয়া পৃথিৱীখনক বিচাৰি পাওঁ। সেয়েহে যুৱ প্ৰজন্মৰ প্ৰতিজনেই গ্ৰন্থ অধ্যয়ন কৰাটো অত্যন্ত প্ৰয়োজনীয়। গ্ৰন্থ অধ্যয়নেই মানুহক পূৰ্ণতা প্ৰদান কৰে আৰু এখন বহল অন্তৰৰ অধিকাৰী কৰে।

বৰ্ত্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উত্তৰণৰ সময়তো গ্ৰন্থ প্ৰেমীৰ সংখ্যা মুঠেও কমা নাই, বৰং বৃদ্ধি হোৱাহে পৰিলক্ষিত হৈছে। বৰ্তমান সময়ত অনুষ্ঠিত গ্ৰন্থমেলা সমূহত গ্ৰন্থপ্ৰেমীৰ ভিৰ আৰু গ্ৰন্থ বিক্ৰীৰ পৰিসংখ্যাই ইয়াৰ প্ৰমাণ। অৱশ্যে সমগ্ৰ বিশ্বখনক হাতৰ মুঠিত লৈ ফুৰিব পৰা এই সময়ত মানৱ সভ্যতাৰ অনুপম সম্পদ গ্ৰন্থৰ ভৱিষ্যতক লৈ গুণী জ্ঞানী বহুতে সন্দিহান হৈ পৰিছে। সেয়েহে আমি সকলোৱে গ্ৰন্থ অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়া উচিত। গ্ৰন্থ অধ্যয়নেহে সৃষ্টি কৰিব পাৰে এচাম সৃষ্টিশীল লেখক-লেখিকাৰ। এচাম সৃষ্টিশীল লেখক-লেখিকাৰ লিখনিৰ জৰিয়তে নিশ্চয় সাহিত্যৰ ভঁৰাল চহকী কৰিব পাৰে। মৌজাখনত সাহিত্য চৰ্চাৰ ধাৰা ভৱিষ্যতে ইয়াতকৈ বৃদ্ধি হওঁক আৰু গ্ৰন্থ অধ্যয়নৰ দ্বাৰা যুৱ প্ৰজন্মই সমাজখনৰ লগতে জাতিটোক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থবান হওঁক তাৰেই কামনা কৰিলেঁ।

# বিভিন্ন ৰোগত

পৰিষদৰ (Central Council of Indian Medicine) প্ৰতিষ্ঠা কৰে। ইয়াৰ অধীনত বিভিন্ন আয়ুৰ্বেদিক শিক্ষাৰ পাঠ্যক্ৰম যেনে স্নাতক পৰ্য্যায়ত BAMS(Bachelor of Ayurvedic Medicine & Surgery), স্নাতকোত্তৰ পৰ্য্যায়ত MD/MS, PhDপাঠ্যক্ৰম, আয়ুৰ্বেদিক ফাৰ্মাচিষ্ট পাঠ্যক্ৰম ইত্যাদি সফলভাৱে চলি আছে।

উত্তৰ পূৰ ভাৰতৰ প্ৰথমখন আয়ুৰ্বেদিক চিকিৎসা কেন্দ্ৰ ১৯৪৮ চনৰ ২০ ডিচেম্বৰত গুৱাহাটীৰ জালুকবাৰীত চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় তথা চিকিৎসালয় স্থাপন হয়। অসম চৰকাৰে আয়ুৰ্বেদিক চিকিৎসাৰ প্ৰসাৰত যথেষ্ট গুৰুত্ব আৰোপ কৰি ২০১২ চনত অসমত সুকীয়াভাৱে আয়ুষ সঞ্চালকালয় গঠন কৰে আৰু ২০১৪ চনত ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম আৰম্ভ কৰে।

আয়ুৰ্বেদ শাস্ত্ৰ অনুসৰি মানৱ শৰীৰটো ত্ৰিদোষ অৰ্থাৎ তিনিটা শাৰীৰিক দোষ (বাত, পিত্ত, কফ), সপ্ত ধাতু অৰ্থাৎ সাতটা শাৰীৰিক ধাতু (ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা আৰু শুক্ৰ), পঞ্চ মহাভূত (আকাশ, বায়ু, অগ্নি, জল, পৃথিৱী), মন আৰু আত্মাৰ দ্বাৰা গঠিত।

যেতিয়া আমাৰ শৰীৰত এই তত্ত্বসমূহ সন্তুলিত অৱস্থাত থাকে, তেতিয়া তেনে ব্যক্তিক স্বাস্থ্যৱান বুলি কোৱা হয়। আনহাতে যেতিয়া এই তত্ত্বসমূহৰ বিভিন্ন কাৰণত ভাৰসাম্যহীনতা হয় তেতিয়াই আমাৰ শৰীৰত ৰোগৰ সৃষ্টি হয়।

বৰ্ত্তমান সময়ত জীৱনশৈলীজনিত ৰোগসমূহ এক ডাঙৰ সমস্যা ৰূপে পৰিগণিত হৈছে। আজিকালি প্ৰায়ভাগ লোকে পশ্চিমীয়া সংস্কৃতিৰ সৈতে খোজ মিলাবলৈ যি জীৱনশৈলী বা খাদ্যাভ্যাস গঢ়ি তুলিছে তাৰ ফলস্বৰূপে এইবিধ ৰোগৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। এই ৰোগসমূহৰ ভিতৰত ডায়েবেটিছ, মেদবহুলতা, হৃদৰোগ, ষ্ট্ৰোক, উচ্চ ৰক্তচাপ, কেঞ্চাৰ, আৰ্থ্ৰাইটিছ ইত্যাদি অন্যতম। যিহেতু এই ৰোগসমূহ জীৱন-শৈলীজনিত কাৰণত হয় সেয়েহে জীৱনশৈলী পৰিৱৰ্ত্তনৰ যোগেদি এই ৰোগসমূহ সম্পূৰ্ণ প্ৰতিৰোধ কৰা সম্ভৱ।

আয়ুৰ্বেদৰ শাস্ত্ৰীয় গ্ৰন্থ চৰক সংহিতাত উল্লেখ আছে যে-
"স্বাস্থ্যস্য স্বাস্থ্যৰক্ষণম্ আতুৰস্য
বিকাৰ প্ৰশমনম্ স।"

অৰ্থাৎ স্বাস্থ্যৱান লোকৰ স্বাস্থ্য সংৰক্ষণ আৰু ৰোগাক্ৰান্ত ব্যক্তিৰ ৰোগ প্ৰশমণ বা নিৰাময়কৰণ হ'ল আয়ুৰ্বেদ চিকিৎসা পদ্ধতিৰ মূল উদ্দেশ্য। আয়ুৰ্বেদত মানুহৰ স্বাস্থ্য ৰক্ষাৰ বাবে দিনচৰ্য্যা (দৈনন্দিন মানি চলিবলগীয়া নীতি-নিয়ম), ৰাত্ৰিচৰ্য্যা (ৰাতি পালন কৰিবলগীয়া নীতি-নিয়ম), ঋতুচৰ্য্যা (ঋতু অনুসৰি মানি চলিবলগীয়া নীতি-নিয়ম) ইত্যাদি সম্পৰ্কে অতি সুন্দৰকৈ বৰ্ণনা কৰিছে।

প্ৰাচীন ভাৰতীয় পৰম্পৰা আৰু ধ্যান-ধাৰণাৰে পৰিপুষ্ট আয়ুৰ্বেদ শাস্ত্ৰত উল্লেখ আছে যে-

"পথ্যে সতি গদ আৰ্তস্য কিম
ঔষধ নিষেৱনৈ
পথ্যে অসতি গদআৰ্তস্য কিম
ঔষধ নিষেৱনৈ।।"

অৰ্থাৎ ঔষধ নহ'লেও কেৱল পথ্যৰ দ্বাৰা ৰোগ আৰোগ্য কৰিব পাৰি। কিন্তু পথ্য নোহোৱাকৈ শ শ বিধৰ ঔষধ সেৱন কৰিলেও ৰোগ আৰোগ্য নহয়। আয়ুৰ্বেদ শাস্ত্ৰত স্বাস্থ্য ৰক্ষা আৰু বিভিন্ন ৰোগৰ নিৰাময়ৰ ক্ষেত্ৰত পথ্য, অপথ্যৰ বিষয়ে বিস্তৃতভাৱে উল্লেখ আছে।

বৰ্তমান সময়ত আয়ুৰ্বেদত নিহিত থকা প্ৰকৃতি সমৰ্থিত সামগ্ৰিক দৃষ্টিকোণৰ আৰু লগতে সুৰক্ষাযুক্ত কমখৰচী চিকিৎসাৰ বাবে সমগ্ৰ বিশ্বতে ইয়াৰ প্ৰতি চিকিৎসা বিজ্ঞানীসকল আকৰ্ষিত হৈছে। WHOকে ধৰি সমগ্ৰ বিশ্বই এতিয়া ৰোগ প্ৰতিৰোধৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰাৰ সময়তে আয়ুৰ্বেদ শাস্ত্ৰই যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছে। ক'ভিডকালীন সময়ত আয়ুৰ্বেদৰ বিভিন্ন প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰি যথেষ্ট সফলতা পোৱা পৰিলক্ষিত হৈছে। ক'ভিড ৰোগ নিৰাময় আৰু নিয়ন্ত্ৰণৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ আয়ুষ মন্ত্ৰালয়েAYUSH KWATH, AYUSH 64 ইত্যাদি ঔষধ অনুমোদন কৰিছে। এই ঔষধসমূহৰ লগতে আয়ুৰ্বেদত বৰ্ণিত নিদান পৰিৱৰ্জনজনক বিভিন্ন নীতি-নিয়ম মানি চলি আমি শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াই তুলিবলৈ সক্ষম হ'ব পাৰো।

গতিকে আহক আমি সকলোৱে ভাৰতবৰ্ষৰ প্ৰাচীন পৰম্পৰা আয়ুৰ্বেদক আঁকোৱালি লৈ সুস্থ আৰু নিৰোগী জীৱন লাভ কৰি এক উন্নতমানৰ জীৱন ধাৰণ কৰাটো সুনিশ্চিত কৰো।

# নৱবৰ্ষৰ সংকল্প আৰু এখন জীয়া

গোপাল জালান




নৱবৰ্ষক আদৰাৰ নামত চৌদিশে আৰম্ভ হৈছে প্ৰস্তুতি। এটা বছৰক বিদায় দি আন এটা বছৰক আদৰিবলৈকে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আৰম্ভ হোৱা প্ৰস্তুতি নতুন বিষয় নহয়। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই নতুন বছৰক আদৰাৰ নামত আনন্দ কৰি অহা হৈছে। দেশ তথা অঞ্চল ভেদে এটা আনন্দৰ বৰ্হিপ্ৰকাশ ভিন্ন। ইংৰাজী নৱবৰ্ষ পালনকলৈ বিভিন্ন কাহিনীও প্ৰকাশিত হৈ আছে। কাহিনী যিয়েই নহওক কিয় সকলোবোৰ কিন্তু সময়কলৈয়ে জড়িত। কাৰণ সময়ৰ গতিক বাদ দি কোনো মানুহে আগুৱাই যাব নোৱাৰে। এয়া প্ৰকৃতিৰ নিয়ম বুলি কলেও অত্যুক্তি কৰা নহ'ব। সময়ৰ পাখি লগা ডেউকাত উঠি বিশ্ব ব্ৰহ্মাণ্ড প্ৰত্যক্ষ কৰিলেও মানুহে সদায় নতুনক আদৰিবলৈ উদগ্ৰীৱ হৈ থাকে। কাৰণ নতুনৰ মাজতেই বিচাৰি পোৱা যায় সৃষ্টিৰ অফুৰন্ত সমলা। যদি আমি বছৰটোৰ অন্তিম আৰু শেষৰ কথা নাভাবো তেতিয়া হ'লে সময়ৰ গতিও মন্থৰ হৈ পৰিব। সেইবাবে সকলোৱে ৩১ ডিচেম্বৰ নিশা এটা নতুন বছৰৰ বাবে আনন্দ উল্লাস কৰে। সময়ৰ কোনো নতুন-পুৰণ নাই। অৰ্থাৎ সময় পুৰণি নহয়। মাথো সময়ক অধিক গতিশীল আৰু দ্ৰুত কৰিবলৈহে এনেদৰে পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰাৰ বাবে প্ৰস্তুতি চলোৱা হয়।

প্ৰায়ভাগ লোকেই নতুন বছৰত সংকল্প গ্ৰহণ কৰে। এই সংকল্পবোৰ জানো বাস্তৱত ৰূপায়িত হয়? কিছুমানৰ এনে সংকল্প পূৰণ হয় বা কৰিবলৈ সদায় প্ৰস্তুত থাকে। বছৰৰ অন্তিম দিনটোত এবছৰৰ ভিতৰত নিজৰ প্ৰতিজ্ঞা আৰু সাফল্যৰ হিচাপ নিকাছ কৰা লোকৰ সংখ্যাও আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। বছৰৰ নতুন বা পহিলা দিনটোতেই যে সংকল্প গ্ৰহণ কৰিব লাগিব তেনে কোনো কথা নাই। কিয়নো যদি সংকল্প গ্ৰহণ কৰিব লাগে বুলিয়ে ভাবি এনে কৰে তেতিয়া হলে সেয়া বাস্তৱত ৰূপায়িত হোৱাৰ সম্ভাৱনা কম। সেই বাবে বছৰৰ এটা বিশেষ দিনৰ কথা নাভাবি সদায় এটা ইতিবাচক মানসিকতাৰে খোজ পেলালে সকলোৱে ইপ্সিত লক্ষ্যত উপনীত হব পাৰে। সকলোৱে মাজত নতুন বছৰটোত কি কি কৰিব তাকলৈ খুউব চৰ্চা হোৱা দেখা যায়। সময়ৰ ৰণুৱা ঘোঁৰাৰ পিঠিত উঠি ৩৬৫ $\frac{1}{4}$ দিনতেই সকলোখিনি কৰাটো সম্ভৱ বুলি ভৰাটো দৰাচলতে জ্ঞানশূন্য লোকৰহে চিন্তাৰ ফচল বুলি ক'ব লাগিব।

প্ৰতি গৰাকী ব্যক্তিৰ বাবে প্ৰতিটো পুৱাই একোটা নতুন দিনৰ আশাবোৰ কৰিয়াই আনে। সুযোগ সন্ধানী লোকসকলে ইয়াৰ সদ্ব্যৱহাৰ কৰে। আন কিছুমান আকৌ মৰুভূমিত মৰিচিকা বিচৰাৰ দৰে বিচাৰি ফুৰে। সূৰুযৰ প্ৰভাতী কিৰণে সকলোৱে জীৱনলৈ কিবা নহয় কিবা আশাত বন্দী হোৱাৰ বিষয় কঢ়িয়াই আনে। এইবাৰৰ বছৰটোৰ ভিতৰত কিমান বিফল হ'ল সেই বিষয়বোৰ কোনোবাই বছৰৰ পোহৰটো দিনত ভাবি চাই নে? নিশ্চয় নাচায়। সেইদিনটোত এইবোৰ হিচাপ-নিকাশ কৰাৰ পৰিৱৰ্তে নতুন বছৰৰ বাবে আকৌ সংকল্প গ্ৰহণত ব্যস্ত হয়। এনেদৰে সময় আহে আৰু যায়। সময়ৰ বালিত পোতগৈ থাকে সংকল্পবোৰ।

নতুনক আদৰি লোৱাটো সকলো মানুহৰে ইচ্ছা থাকে। কাৰণ নতুনত্বই হে সকলোৱে জীৱনলৈ মুখৰ সংকট কঢ়িয়াই আনে। দৰাচলতে নতুনৰ সতে সুখ জড়িত থাকে বুলি ভাবিয়েই প্ৰতিগৰাকী ব্যক্তিয়ে সদায় নতুনৰ প্ৰতি আকৰ্ষিত হয়। সেয়েহে সকলোবোৰ আশা বাস্তৱত ৰূপায়িত কৰিবলৈকে নৱবৰ্ষক আঁকোৱালি লয়। যদি মানুহৰ ভাগ্যচক্ৰ এদিনতেই ঘূৰিলেহেঁতেন তেতিয়া হ'লে সদায় সংগ্ৰাম কৰিব নালাগিলহেঁতেন। তদুপৰি নতুন বছৰৰ পহিলা দিনটোতেই যে ভাগ্যচক্ৰ সলনি হ'ব সেয়াই নহয়। সেইবাবে নতুন বছৰ বাবে সংকল্প লোৱাৰ মানসিকতাৰ সলনি সদায় যদি প্ৰতিটো দিনকে নতুন বুলি ভাবিবলৈ লয় তেতিয়া হ'লে কিবা আশা কৰিব পাৰি।

সংকল্প, পৰিকল্পনা বিষয়বোৰৰ পৰিসৰ সীমিত নহয়। ইয়াক বহন আৰ্থতহে ব্যৱহাৰ কৰা হয়। কিয়নো সংকল্পত যদি পৰিসৰ সীমিত হৈ পৰে তেতিয়াহলে মানুহে কাম কৰা বাবে এখন বহল ক্ষেত্ৰ লাভ নকৰিব। মানুহক সদায় এখন বহন পৰিসৰৰহে প্ৰয়োজন এনে পৰিসৰৰ মাজত থাকিলে উন্নতিৰ জখলাডালে চুটি হয়। আনহাতে, সংকল্পৰ পৰিসৰবোৰ সদায় সুপৰিকল্পনাৰে নিৰ্ধাৰণ কৰিব লাগে। আবেগতকৈ বাস্তৱক প্ৰাধান্য দিব লাগে। তেতিয়াহলেহে বাস্তৱৰ ছবিখন ইতিবাচক হয়। নতুন বছৰটো মানুহে সেই বাবে ইতিবাচক আমাৰে আগুৱাই যোৱাৰ পৰিকল্পনা কৰা উচিত। সাধাৰণতে দৈনন্দিন জীৱন যাপনত দেখা যায় যে আবেগতকৈ বাস্তৱৰ ওপৰত গুৰুত্ব দিয়া লোকসকলে বছৰটোৰ শেষৰ ফালে এবছৰত লাভ কৰা সফলতা-বিফলতাবোৰ হিচাপ কৰে। তেওঁলোকে বছৰটো লাভ কৰা সফলতাতকৈ কিমানখিনি ব্যৰ্থ হৈছে অথবা ক'ত কেৰোন লাগিছে সেইবোৰৰ বিশ্লেষণ কৰা বাবে পৰৱৰ্তী সময়ত ইয়াক অধিক গতিশীলতাৰ মাজেৰে আগুৱাই নিবলৈ পৰিকল্পনা গ্ৰহণ কৰে। দৰাচলতে এয়াই বাস্তৱ। নতুন বছৰৰ সংকল্প আৰু সফলতা-বিফলতাৰ এখন জীয়া ছবি।

# টিউটৰৰ জীৱনৰ বাবে এটি

কাম কাজৰ মিল নথকা আৰু ক্ষমতাৰ অপব্যৱহাৰ কৰি জন সাধাৰণৰ সাংবিধানিক অধিকাৰ হৰণ কৰোতা ৰাজনীতিবিদ সকলক সময়ে ভালকৈ শিকনী দিয়াৰ নজিৰ অসমৰ সকলোৱে দেখা পাইছে।

স্নাতক, স্নাতকোত্তৰ আৰু বি এড্ অৰ্হতা সম্পন্ন টিউটৰ সকলে দৈনিক প্ৰায় ৫০০ টকাৰ হিচাপত পাৰিশ্ৰমিক পোৱা বিষয়টোৱে অসমত যে শিক্ষাগত অৰ্হতাৰ কোনো মূল্য মন্ত্ৰী, আমোলা বা বিষয়াৰ ওচৰত নাই সেয়া সত্য।

এই ক্ষেত্ৰত অসম চৰকাৰে সদিচ্ছা দেখুৱাব বুলি আশা কৰিলো। অন্যথা টিউটৰ হৈ থকা বিষয়টি আমাৰ জীৱনৰ বাবে এক চৰম দুৰ্ঘটনা হিচাপে বিবেচিত হৈ ৰ'ব।

# স্বাগতম নৱবৰ্ষ

বন্দিতা শৰ্মা কন্দলি, বিজ্ঞান শিক্ষয়িত্ৰী,
চৰকাৰী অভ্যসন উচ্চ বুনিয়াদী বিদ্যালয় তিতাবৰ




সময় গতিশীল! অনন্ত গতিৰে অবিৰাম ভাৱে কালেকো ৰ'বলৈ প্ৰয়োজন বোধ নকৰা সময়ক পল-অণুপলকৈ দিন, সপ্তাহ, মাহবোৰ সামৰি বছৰ হিচাপে গণ্য কৰি বাৰ্ষিক কেলেণ্ডাৰ খন প্ৰস্তুত কৰা হৈছে। সময়ৰ গতিত কেলেণ্ডাৰৰ অন্তিম দিনা পুৰণি বছৰটোৱে মেলানি মাগে। কালৰ বুকুত হেৰাই যায় ৩৬৫ দিন বা ১২ টা মাহ বা এটা বছৰ। পাখি লগা কাঁড়ৰ দৰেই সময়ে অতীত, বৰ্তমান নেওচি গতি কৰে ভৱিষ্যতৰ দিশে ! এই চিৰ প্ৰবাহমান স্ৰোতত বিলীন হৈ পৰে হাঁহি - কান্দোন, সুখ - দুখ, প্ৰাপ্তি - অপ্ৰাপ্তি, চিন্তা - দুঃচিন্তা আদিবোৰ। অতীত হোৱা বছৰটোৰ সকলোবোৰ অৱসাদ আঁতৰাই নতুন আশাক নৱ প্ৰভাতৰ উদিত সূৰুযৰ আলোকেৰে পোহৰাই তুলিবলৈ বিচাৰোঁ নতুন বছৰটোক। যদিও আমাৰ সংস্কৃতিয়ে ব'হাগ মাহ টোকহে নৱবৰ্ষ হিচাপে লয়, কিন্তু গতিশীল সময়ে সকলো সলনি কৰি আধুনিক জীৱন শৈলীত ইংৰাজী মাহৰ এক জানুৱাৰীটোকে সকলোৱে নৱবৰ্ষ হিচাপে গণ্য কৰে । সেয়ে এক জানুৱাৰীত নতুন সপোন, নতুন আশা, নতুন প্ৰতিশ্ৰুতিৰে স্বাগতম জনাইছোঁ নৱবৰ্ষক।

সময় আমাৰ সাহ। সময়ে আমাক দিয়ে শিক্ষা। সময় আমাৰ গুৰু। সময়ৰ অভিজ্ঞতাৰ পলসুৱা প্ৰজ্ঞাই প্ৰোজ্জ্বল কৰি তোলে একোটা জীৱন। চিৰ প্ৰবাহমান সময় অতি মূল্যৱান। সময়ে মূল্য সেই জনক হে দিয়ে, যিজনে সময়ৰ মূল্য বুজি পায়। অবাবত খৰচ কৰা সময় নিদিষ্ট সময়ত বৰ নিষ্ঠুৰ হৈ ধৰা দিয়ে। তেতিয়াই সময়ে ইংগিত দিয়ে অন্ধকাৰ ভৱিষ্যতৰ। ফলস্বৰূপে আমাৰ জীৱন হৈ পৰে দোদুল্যমান। কেৱল কৰ্মই হে সময় নিৰূপণ কৰে । সেয়ে আমাৰ বাবে প্ৰতিটো পুৱাৰ, প্ৰতিটো দিনেই হওঁক নতুন।

শীতৰ কুঁৱলী ফালি ভাহি অহা প্ৰভাতী পক্ষীৰ সুমধুৰ সুললিত কণ্ঠই প্ৰতি গৰাকী নাৰীকে কৰি তোলে প্ৰাণৱন্ত। নতুনৰ দিশে আগুৱাই যোৱা আমি নতুন নাৰী। আমাৰ আশা আকাংক্ষা হওঁক সুদূৰপ্ৰসাৰী, আকাশলংঘী, কিন্তু আমি পাহৰি যাব নালাগিব আমাৰ শিপাডাল। আমাৰ শিপা হৈছে আমাৰ সংস্কৃতি, আমাৰ আচাৰ - আচৰণ, আমাৰ খাদ্যাভ্যাস আদি। সময়ৰ বালিত খোজ মিলাই যাবলৈ আমি সসন্মানে আগবাঢ়ি যাব লাগিব। সস্তীয়া প্ৰলোভনত ভোল গৈ নৈতিকতাক বিসৰ্জন দি লাভ কৰা স্বীকৃতি ক্ষন্তেকীয়া মনোৰঞ্জনহে। ই ব্যক্তিক প্ৰকৃত সুখ বা মানসিক উত্তৰণ প্ৰদান কৰিব নোৱাৰে। ইয়াৰ বাবে আমি নিজকে জ্ঞানৰ জেউতিৰে আলোকিত কৰি পৰিয়ালটিক আদৰ্শ ৰূপে গঢ় দিব লাগিব। আমাৰ পৰিয়ালৰ ডাইনিং টেবুল খন যাতে নেতিবাচক চিন্তা ধাৰা, পৰচৰ্চা, পৰনিন্দা আদিৰ কেন্দ্ৰ স্থল নহয় তাৰ পৰা পৰিয়ালটিক বচাই ৰখাৰ দায়িত্বও নাৰী গৰাকীৰ ওপৰতেই থাকে। নাৰী গৰাকী এখন ঘৰৰ লখিমী! গতিকে প্ৰতি গৰাকী নাৰীয়েই সময় আৰু দায়িত্বৰ প্ৰতি সজাগ হৈ আত্মিক শক্তিৰে সমাজ আৰু দেশৰ উন্নতিৰ হকে কাম কৰি যাবলৈ মানসিকভাৱে প্ৰস্তুত হ'ব লাগিব। নৱবৰ্ষই প্ৰতি গৰাকী নাৰীক অন্যায়ৰ বিৰুদ্ধে যুঁজ দিবলৈ সক্ষম কৰি তোলক। নৱবৰ্ষই সকলোৰে বাবে কঢ়িয়াই আনক সুখ- সমৃদ্ধিৰ শুভংকৰ ফল। প্ৰতি জন ব্যক্তিৰ মন ভৰি পৰক দয়া, ক্ষমা, ভাতৃত্ব বোধ আদি মানৱীয় প্ৰমূল্যৰে। হেৰাই যাব খোজা আন্তৰিকতা বোধক জীপাল কৰি সম্প্ৰীতিৰ বাৰ্তাবাহক হওক এই ২০২৩ তম নৱবৰ্ষটি। সকলো লৈকে থাকিল নৱবৰ্ষৰ আন্তৰিক শুভ কামনা।

# অনন্বিত

## " तेरे बिना जिंदगी से कोई शिकवा तो नहीं "

সংগীতা ডেকা, ৰঙীয়া



আজিও সেই একেটি গান (সদায় শুনাৰ অভ্যাস) আৰু খিড়িকীখনৰ মুখেৰে ভাঁহি অহা বেলিটোৰে লাহে লাহে শুই পৰাৰ দৃশ্যাৱলী । তেনেতে, " মা অ' মা মই গৈ আছো... So তোমাৰ yummy yummy হাতেৰে Maggie Maggie Maggie.... হাঃ হাঃ হাঃ" (Voice message) । মনে মনে মিচিকিয়া হাঁহি এটি জিলিকি উঠিল সেই দুই ওঁঠেৰে.... "বোৱাৰীৰ লক্ষ্মিমী খোজেৰে ঘৰ পোহৰাবৰ হ'ল, কিন্তু এতিয়াও কণমাণিটোৱেই হৈ থাকিল । কি যে হ'ব নহয়...!" ঠিক সেই সময়তেই এচাটি শীতল মৃদু বতাহে আহি যেন বহু নিলগলৈ পিছুৱাই লৈ গ'ল । "মাজনী ঐ মাজনী ক'ত মৰিলি হা বিয়াৰ পিছত আমাৰ নাক কাণ কটাই হে এৰিবি তই" (খুড়ত)। "এ মালতী, তোৰ গাছোত উঠা আপীতুক অলপ শাসন কৰ নোহলি জুই পানী বেলেগ কৰা জীৱনে বিৰাট জালা কালা খুৱাব তঁহতোক । সাৱধান কৰি দিলো মই কিন্তু ।"

এটি ৰঙিলী পখিলী। অনুসন্ধিৎসু মনটোৱে ডাঙৰ ডাঙৰ হাবিয়াসৰ টোপোলাটো লগত লৈ, আকাশ সম বিশাল চিন্তাধাৰাক সাৱটি, তাই নিতৌ নাচি বাগি উৰি ফুৰিছিল কল্পাত্মক দৃষ্টিভংগীৰে, প্ৰকৃতিৰ মাজত । জটিল বাস্তৱক অনুভৱ কৰিছিল যদিও আওকাণ কৰি চলিবও খুজিছিল। নিৰ্মল হৃদয়খনত সকলোৰে প্ৰতিশ্ৰদ্ধা, ভক্তি, মৰম, ভাল পোৱা, সন্মান সকলো আছিল। লগতে, তাই আছিল এক অপূৰ্ব সৌন্দৰ্য্যৰে ভঁড়াল। মাকে বিচাৰিছিল তেওঁৰ হৃদয়ৰ টুকুৰাটো সুৰক্ষিত দুহাতত অৰ্পণ কৰি চিৰশান্তি ল'ব পৰা হ'লে...! কিন্তু নিয়তিৰ চাকনৈয়াত তাইৰ ভাগ্যখনে আকৌ....!

হঠাৎ কলিং বেলটো বাজি উঠাত এতিয়াৰ পৃথিৱীখনে আহি মৰমেৰে ধৰা দিলে হি সন্মুখত । বুকুত জ্বলি থকা জুইকুৰাক লুকাই ৰাখি মমতাৰ আঁচলেৰে উপচায় পেলালে নিজৰ জীয়াই থকাৰ একমাত্ৰ সম্বলক। আদি (আদিত্য) এজন উদ্যমী যুৱক। ব্যক্তিগত খণ্ডৰ চাকৰি এটাত কৰ্মৰত, উদাৰ মনৰ গৰাকী, এজন খোলা অন্তৰৰ জ্ঞানী আৰু বহুত বুজা ল'ৰা। তথাপিও যামিনী শৰ্মাৰ ভিতৰত লুকাই থকা এবুকু ভয় আৰু শংকাই জোকাৰি যায় প্ৰতি দিনে যে পৰ্দাখন আঁতৰ হ'লে কি হ'ব ? খহি পৰিব নেকি মানৱ জীৱনৰ শ্ৰেষ্ঠ সম্পৰ্কটি তাচ পাতৰ দৰে ? " নাই নাই মই নাভাবো এইবোৰ। ক'ত গ'ল, ক'ত গ'ল পিলটো?"

"আকৌ এইবোৰ ? মই মানা কৰিছিলো নে ? অন্ততঃ কি বোজা নো সোমাই থৈছা তুমি ? খোলাকৈয়ো নোকোৱা মোক। আমি at 1st best friends হয় । মই সকলোবোৰ কথা share কৰো। তুমি কিয় নকৰা ?" "চাও তোৰ মুখখন মেল আৰু এই ইংৰাজী দানা খাই ল ধৰ। মোৰ লগৰবোৰে নিজৰ নিজৰ বোৱাৰীয়েকৰ দোষবোৰ এফালৰ পৰা সদায়েই বলকি থাকে আৰু মই মেগী বনাই বনাই তোৰ পেটটো হে বঢ়াই আছো।" "এহ্ topic change কৰিলা মানে। নাখাও যা একো।" এজাক ধুমুহাক পুনৰ ৰোধ কৰাৰ দৰে অনুভৱ হয় যামিনীৰ নিজৰ আলাসৰ লাডুটোৰ এনেবোৰ কথাত। কিন্তু কিমান দিনলৈ? এনেদৰে ছাঁ পোহৰৰ মাজতেই দুজনীয়া সদস্যৰে এখন মৰমৰ ঘৰ চলি আছে। তাৰ গুৰি ধৰোতা এগৰাকী অকলশৰীয়া নাৰী। ভিতৰত বুজন পৰিমাণৰ সাহস যদিও কিবা যেন হেৰুৱাই পেলোৱাৰ এক অজান ভয়।

সিদিনাখন জন্মদিন আছিল কাৰোবাৰ। কিন্তু আদিৰ অজ্ঞাত সেয়া । গোটেই দিনটো কিবা চিৰিং চিৰিংকৈ বুকুখন কঁপি আছিল। জানো কিয় বা ! তেনেতে, পুৰণি সেই ভয়ংকৰ দিনটো, "মাজনী তই পলাই যা। মোৰ বাবে অলপো চিন্তা নকৰিবি। এই পইচাখিনি লৈ বহুদূৰলৈ গুছি যা তই। মই সকলো চম্ভালি ল'ম ইয়াত। মৃত্যু সকলো সমস্যাৰ সমাধান নহয় অ'। তোৰ পেটৰ উশাহক মোহাৰি পেলাব নিদিবি তই, যাগৈ যা ।" মাকে নিজৰ কলিজাজনীক সমাজৰ আগত মৰি যোৱা বুলি মানি লৈছিল তাইৰ জীৱনটোক বচাবলৈ আৰু অন্তৰৰ পৰা তাতোকৈয়ো বেছি আশীৰ্বাদ দিছিল যাৰ ফলত যামিনীয়ে অকলেই এটি জীৱনক ভূমিষ্ঠ কৰিবলৈ সক্ষম হৈছিল। এৰি অহা তাহানিৰ সকলোবোৰ ছবিয়েই চকুৰ আগত জিলিকি উঠিছিল যেতিয়া আদিয়ে তেখেতক ঘৰলৈ লৈ আহি ক'লে "মা এখেত কোন মই নাজানো । মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে চাগে। নিজৰ পৰিচয়ো নাজানে। শুনিবলৈ পালো যে পৰিয়ালে আহি ৰাস্তাত এৰি থৈ গৈছে । আমাৰ সংস্থাই গম পাই চাফ চিকুণ কৰি হুইলচেয়াৰ এখনৰো ব্যৱস্থা কৰিলোঁ। ভৰি দুখন..! কি যে মৰ্মান্তিক! আৰু মা, নাজানো মই, তেখেতে কিয় বাৰু মোৰ আঙুলিটোৱেই এৰি দিয়া নাই ! So মই ঘৰলৈ লৈ আনিলো । কেইটামান দিন আমাৰ লগত ৰাখিম দিয়া ন । মই ঠিকেই কৰিছোঁ নে মা?"

কথাকেইষাৰ শেষ কৰিব নৌপাওতেই পানী গোট খোৱা ৰঙা চকুহালেৰে নিজৰ কোঠাৰ দুৱাৰখন জোৰকৈ বন্ধ কৰি দিলে যামিনীয়ে। দুদিনমান সি অকলেই মানুহজনৰ যত্ন লৈ লৈ মাকৰ নিৰৱতাবোৰ পঢ়িবলৈ যত্ন কৰিলে যে মাকৰ কিনো হৈছে। পিছে সি সফলো নহ'ল নুবুজা সাঁথৰবোৰ সমাধান কৰিবলৈ। এদিন আদিয়ে দৰৱ আনিবলৈ কিছু সময়ৰ বাবে বাহিৰলৈ গ'ল। সেই মুহূৰ্ততেই অতীতৰ পেৰাটোত সাঁচি ৰখা, ইমান বছৰৰ যন্ত্ৰণাই বৰ্হিপ্ৰকাশ কৰিবলৈ বাধ্য হ'ল। চিঞৰি চিঞৰি দুচকুৰে বৈ অহা তেজৰ নৈখনে উত্তৰ বিচাৰিবলৈ চেষ্টা কৰিলে। "কিয় কিয় তুমি মোক এৰি গৈছিলা ? মোৰ পেটত অকলেই এটি দায়িত্বক এৰি দি। দোৱা আৰু প্ৰাৰ্থনাৰ মাজত মই তো কাহানিও পাৰ্থক্য কৰা

*(বাৰপৃষ্ঠাত চাওক)*

১৬ পুহ ১৪২৯ চন Rongili Barta, Date of Publication--1 January,2023

# শীতৰ কুঁৱলী ঠেলি পোহৰক লওঁ আদৰি .... নতুন প্ৰত্যাশাৰে আদৰি লওঁ আহক ২০২৩ বৰ্ষটিক

মানসী মিশ্ৰ




শীত আহে সিক্ত চুবুৰীৰ নিয়ৰৰ ফাঁকে ফাঁকে, গোলাপৰ পাহে পাহে । শীত মানেই প্ৰকৃতিৰ নিৰিবিলি পৰিবেশত বালিভাত খোৱাৰ বতৰ, শীত মানেই যেন নতুনক আদৰি লোৱাৰ ৰঙবিৰঙী অনুভৱ। শীতৰ আগমনৰ লগেই লগেই বিলীন হৈ যায় সময়ৰ আহ্বানত একোটা মূল্যবান বৰ্ষ অতীতৰ বুকুত। এই নিয়ম সৰোগত কৰিয়েই সময়ৰ মহাসোঁতত বিলীন হ'বলৈ ওলাইছে ২০২২ বৰ্ষটো। নিশা বাৰ বজাৰ লগে লগে হৰ্ষোল্লাসৰ মাজত আতচবাজীৰ ৰঙা,নীলা পোহৰৰ মাজেদি আকোঁৱালি লোৱা বৰ্ষটো চকুৰ পলকতে যে কেনেদৰে পাৰ হৈ যায় মানুহে ধৰিবই নোৱাৰে। মানুহে বহুতো আশা, আকাংখা, হেঁপাহ বুকুত আকৌ আঁকোৱালি লব নতুন বৰ্ষ এটিক। পুৱাৰ কোমল মিঠা ৰ'দ জাকে আদৰি আনিব সকলোৰে বাবে হেঁপাহৰে ভৰা সপোনেৰে ভৰা এটি নতুন বছৰক । ঠিক এনেদৰেই আৰম্ভ হয় একোটা নতুন বৰ্ষ । টিভিৰ চেনেল কেইটাই প্ৰচাৰ কৰা কেইটামান বিশেষ বিশেষ অনুষ্ঠান, প্ৰতিগৰাকী ব্যক্তিলৈ দূৰভাষ, মবাইল ফোনত অহা শুভেচ্ছা বাৰ্তাৰ মাজেদিয়েই প্ৰতিগৰাকী মানুহৰ হেঁপাহৰ, আদৰৰ নতুন বছৰটো আৰম্ভ হয় ।আজিকালিৰ দিনত ৰঙ বিৰঙৰ গ্ৰীটিংছকাৰ্ড খনৰ মাদকতা আৰু চাহিদা বহু পৰিমাণে কমি গ'ল । তাৰ ঠাই ললে মোবাইল ফোনটোৱে, ইন্টাৰনেটে । এনেদৰে শুভেচ্ছাৰ আদান প্ৰদানেৰে আদৰি লোৱা নতুন বছৰটো চকুৰ পলকতে পুৰণি হৈ আমাৰ মাজৰ পৰা বিদায় লবলৈ ওলায় । এই মহামূল্যবান বছৰ একোটাৰ কোনোবাটো দিনে কাৰোবাৰ বাবে কঢ়িয়াই আনে সাফল্যৰ বতৰা, কাৰোবাৰ বাবে অন্তহীণ বেদনা, কাৰোবাৰ বাবে বুকুভৰা বিষাদ । এইদৰে মাত্ৰ একোটা দিনেই পৰিৱৰ্তন কৰিব পাৰে জীৱনৰ ছন্দ, জীৱনক দিব পাৰে নতুন গতি। সেয়েহে প্ৰতিটো বৰ্ষই প্ৰতিগৰাকী ব্যক্তিৰ বাবে বহুত মূল্যৱান । কোনো এটা বছৰতে আমি মনে বিচৰা সকলোখিনি পাবলৈ সক্ষম নহও। প্ৰতিটো বৰ্ষৰ শেষতে আমি কেতবোৰ পৰিকল্পনা কৰোঁ। একেদৰে সকলোখিনি যে যোগাত্মক অথবা ইতিবাচক খবৰেৰে বছৰটোত পোৱা যায় তেনে নহয় ,নেতিবাচক খবৰো বছৰটোত থাকে । সফলতা আৰু বিফলতাৰ মাজেদিয়ে আগবাঢ়ি যোৱা যায় জীৱনটোত । পাৰ হৈ যাব খোজা বছৰটোৰ অভি জ্ঞতাৰে নতুন বছৰটোত আগবাঢ়ি যাবলৈ চেষ্টা চলোৱা হয় । আমি যদি পাৰ হৈ যাব খোজা বছৰটোক এবাৰ জুকিয়াই চাব বিচাৰোঁ তেন্তে ২০২২ বৰ্ষটো আৰম্ভ হোৱাৰ প্ৰায় লগে লগে কোভিদ মহামাৰীৰ তৃতীয়টো ঢৌৱে ৰাজ্যখনক চুই গৈছিল । ক'ৰণা ভাইৰাছৰ এক সংস্কৰণ অমিক্ৰণে ৰাজ্যখনৰ বহুলোককে সংক্ৰমিত কৰিছিল । সেয়েহে বহু নিষেধাজ্ঞা আৰু সামাজিক ব্যৱধানৰ মাজত থাকিয়েই প্ৰথম দুটা মাহ অতিক্ৰম হৈছিল । কোভিদৰ এই সংক্ৰমনে ৰাজ্যখনৰ আৰ্থ সামাজিক খনতো যথেষ্ট প্ৰভাৱ পেলাইছিল । মাৰ্চ, এপ্ৰিল মাহৰ পৰা ৰাজ্যৰ কোভিদ সৃষ্টি পৰিবেশ পৰিস্থিতি যথেষ্ট উন্নত হৈছিল যদিও মে, জুন মাহৰ পৰা ৰাজ্যৰ বিভিন্ন ঠাইত বানপানীয়ে সংহাৰী ৰূপ ধাৰণ কৰিছিল ।এই বৰ্ষৰ সঘনাই হোৱা কেইবাটাও বানপানীয়ে ৰাজ্যখনক বাৰুকৈয়ে জুৰুলা কৰিছিল । মহানগৰীটো এইটো বৰ্ষত বানে হাঁহাকাৰ অৱস্থাৰ সৃষ্টি কৰিছিল। মহানগৰীৰ বিভিন্ন অঞ্চলৰ মানুহে বহুদিনলৈ আশ্ৰয় শিবিৰত থাকিবলগীয়া অৱস্থা হৈছিল । বহুদিনলৈ মানুহে পানীৰ মাজত হাঁহাকাৰ কৰি কটাবলগীয়া হৈছিল, অথচ মানুহৰ বাবে খোৱা পানীটুপিৰো অভাৱ হৈছিল । বহুদিনলৈ শিক্ষানুষ্ঠান সমুহ বন্ধ ৰাখিবলীয়া হৈছিল, বিভিন্ন ঠাইত দোকান বজাৰো বন্ধ আছিল । মুঠতে স্বাভাৱিক জীৱন যাপন বহুদিনলৈ ব্যাহত হৈছিল। ইয়াৰ লগে লগে মুল্যবৃদ্ধিৰ সমস্যাই সাধাৰণ মানুহক জুৰুলা কৰি পেলাইছিল ।ৰন্ধন গেছ চিলিণ্ডাৰ আৰু অন্যান্য অত্যাৱশকীয় খাদ্য সামগ্ৰীৰ চৰা দামে সৰ্ব সাধাৰণ ৰাইজক বিপাঙত পেলাইছে। বছৰটোত হত্যা, হিংসা, মহিলা নিৰ্যাতনৰ ঘটনা সমূহেও সৰ্বসাধাৰণ ৰাইজক যথেষ্ট ভৱাই তুলিছিল। বিশেষকৈ মহিলা, যুৱতীৰ ওপৰত হোৱা উৎপীড়ণৰ ঘটনা, কন্যা শিশুৰ পৰা আৰম্ভ কৰি আদহীয়া মহিলাৰ ওপৰত হোৱা ধৰ্ষণৰ ঘটনালৈকে, শিক্ষকে ছাত্ৰীৰ ওপৰত কৰা যৌন অপৰাধলৈকে এনেধৰণৰ ঘটনা ৰাজ্যখনত বহু পৰিমাণে বৃদ্ধি পাইছে। দিন-দুপৰতে ব্যৱসায়ীক, অফিছৰ কৰ্মচাৰীক গুলিয়াই হত্যা কৰা ঘটনা, বিদ্যালয়ৰ পৰা শিশু অপহৰণ, দিন-দুপৰতে মহিলা-যুৱতীৰ ডিঙিৰ চেইন টানি নিয়া ইত্যাদি ঘটনাসমূহে সৰ্বসাধাৰণ ৰাইজৰ যথেষ্ট শংকিত আৰু সচৰিত কৰি তুলিছে।

## স্বাগতম নৱবৰ্ষ

ময়ূৰাক্ষী গগৈ




স্বাগতম জনাইছো নৱবৰ্ষক।
ন-আশা, ন-উদ্যম, ন-চিন্তাৰে
নৱবৰ্ষক আদৰো আহক।
বিগত বৰ্ষৰ দুখ, কষ্ট, বেদনাবোৰ পাহৰি,
নৱবৰ্ষক আদৰণি জনাও
কেৱল ইতিবাচক চিন্তা আৰু কৰ্মেৰে।
বৈ যোৱা ভুলবোৰৰ শুধৰণিৰে,
জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে
ভেদাভেদ পাহৰি,
নৱবৰ্ষত পণ লওঁ আহক
এখন সুন্দৰ নিকা সমাজ গঢ়াৰ।
**শুভ নৱবৰ্ষ।**

# অসম গ্ৰন্থমেলাই কঢ়িয়াই আনক ইতিবাচক সংকেত

দেৱৰ্ষি গৌতম, বনগাঁও




অসম অভিযান্ত্ৰিক খেলপথাৰত ২৯ ডিচেম্বৰ তাৰিখৰ পৰা আৰম্ভ হোৱা অসম গ্ৰন্থমেলাই অসমৰ লেখক সকলৰ লগতে গ্ৰন্থ প্ৰকাশন গোষ্ঠী, গ্ৰন্থ বিক্ৰেতা আৰু পঢুৱৈ সমাজলৈও এক ইতিবাচক বাৰ্তা লৈ আহক আৰু নতুন বছৰটোৰ এক সুন্দৰ আৰম্ভণি হওক। অসমীয়া সাহিত্যিক জীয়াই ৰাখিবলৈ আপ্ৰাণ চেষ্টা অব্যাহত ৰখা ন-পুৰণি লেখক-লেখিকা আৰু সাহিত্যিক সকলক তেওঁলোকৰ যাত্ৰা অব্যাহত ৰাখিবলৈ পঢুৱৈ সমাজে অনুপ্ৰেৰণা যোগোৱাটো অতিকৈ জৰুৰী। এখন গ্ৰন্থই যদি পঢুৱৈ সমাজৰ পৰা সমাদৰ লাভ কৰে তেতিয়াহে এগৰাকী লেখক-লেখিকাই পুনৰ অন্য সৃষ্টিৰাজিৰ মাজলৈ যাবলৈ সাহস গোটাব পাৰে। পাঠক সকলৰ পৰা পোৱা সহাৰিয়ে লেখক-লেখিকা সকলৰ মূল সঞ্জীৱনী শক্তি। অসমীয়া সাহিত্যিক জীয়াই ৰখাৰ স্বাৰ্থত যদি আমি প্ৰতিগৰাকী অসমীয়াই অসম গ্ৰন্থমেলাৰ বাকৰিৰ পৰাই পণ লওঁ যে আমি অসমীয়া গ্ৰন্থ পঢ়িম আৰু সকলোকে পঢ়িবলৈ পৰামৰ্শ আগবঢ়াম তেনেহলে হয়তো আগন্তক দিনত আমি অসমীয়া সাহিত্যক জীয়াই ৰখাৰ বাবে আৰু চিন্তা কৰিব লগীয়া নহব। অসম গ্ৰন্থমেলাৰ বাকৰি হওক লেখক-লেখিকা, প্ৰকাশক গোষ্ঠী আৰু বিক্ৰেতা সকলৰ এক মিলনভূমি। আৰম্ভণি হওক অসমীয়া গ্ৰন্থ পঢ়াৰ এক ইতিবাচক আন্দোলনৰ। কেৱল লেখক-লেখিকা নাইবা সাহিত্যিক সকলে যে অসমীয়া সাহিত্যক জীয়াই ৰাখিব নোৱাৰে সেই কথা যেতিয়া পঢুৱৈ বা পাঠক সকলে ভালদৰে উপলব্ধি কৰিব পাৰিব তেতিয়াহে হয়তো অসমীয়া সাহিত্যৰ এক নতুন যুগৰ সুচনা হব। নতুন বছৰে কঢ়িয়াই লৈ আনক অসমীয়া সাহিত্যৰ এক আধুনিক যুগ। আৰম্ভণি হওক অসমীয়া সাহিত্যৰ বিশ্বমুখী যাত্ৰাৰ।

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH-098/2015-17

**Rongili Barta**
GUWAHATI—781025
১৬ পুহ ১৪২৯ চন Rongili Barta, Date of Publication--1 January,2023

# অনন্বিত

নাছিলো। তুমি অকলেই গুছি গৈছিলা ভিৰু কাপুৰুষ হৈ। হিন্দুত্বৰ নামত মোক কলংক বুলি আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা হৈছিল পৰিস্থিতিৰ দ্বাৰা তথা সমাজে কিন্তু মই.....! আৰু আজি কেনে এক বিড়ম্বনা তোমাৰ পৰা এটাও উত্তৰ নাপাও। এয়াই চাগে মোৰো শাস্তি আৰু তোমাৰো । ” বাহিৰতে বৈ কথাবোৰ শুনি থকা আদিৰ হাতৰ পৰা ঔষধৰ টোপোলাটো মাটিত সৰি পৰিল আৰু বিষাক্ত সন্ধিয়াটোৱে লাহে লাহে আদিৰ জীৱনটো চিৰদিনৰ বাবে সলনি কৰি দিলে। ঘটনাৰ পাকঘূৰণিত হঠাতেই অঘটন ঘটি গ'ল, সি তৰ্কিবই নোৱাৰিলে ।এফালে একুৰা অগ্নিশয্যাৰ প্ৰস্তুতি আনফালে জানাজা, তাৰ মাজত যেন আদিয়ে হে ছাই হৈ পৰিল। কিন্তু তাৰ প্ৰশ্নৰ পাহাৰখন হ'লে খহি নপৰিল। পৰ্দাখনো আঁতৰি নগ'ল তাৰ জীৱন অংকুৰণৰ লগত সংপৃক্ত। সি আধৰুৱা হৈয়েই থাকিল অকলশৰে ।

দিন বাগৰি বাগৰি সময়বোৰো পাৰ হ'ল আৰু এদিন সি বন্ধ কোঠালিটো নিজৰ মনৰ সৈতে যুঁজ দি শেষত খুলি চালে। সকলোবোৰ বস্তু একে ঠাইতেই বৈ আছিল কেৱল মাকৰ হাতৰ পৰশেৰেই সজ্জিত হৈ। তাৰ পিছত হঠাৎ চকু পৰিল ডাষ্টবিনটোলৈ, য'ত আধাপোৰা ডায়েৰীৰ লেখীয়া কিবা বহী এটা পৰি আছিল। সেইটো খুলি চোৱাৰ লগে লগে প্ৰথম পৃষ্ঠাত, যদিও অৱশিষ্ট কিছুমান কথা লিখা আছিল......
“এসময়ত মৃত্যু আৰু জীৱনৰ মাজত বিশেষ দূৰত্ব নাছিল তথাপিও মই জীৱন বাচি লৈছিলো, অতি ঘনিষ্ঠ কাৰোবাৰ স্বাৰ্থত যিয়ে মোক এই পৃথিৱীলৈ লৈ আহিছিল আৰু মই যাক আনিছিলোঁ মোৰ অস্তিত্ব কৰি........”

**সমাপ্ত**

# পাহৰিব নোৱাৰা এক ভ্ৰমণ কাহিনী

**ইমৰাণ আলী, বেছিমাৰী, দৰং**



ইংৰাজী ২০১৮ চনৰ মে' মাহৰ ১৫ তাৰিখে মোৰ বন্ধু আশিষ, উত্তম সাহা, পিনাক আৰু মই বিশেষ কামত যোৰহাটলৈ গৈছিলোঁ। পিছদিনা উভতনি যাত্ৰাত কাজিৰঙা পাওঁতে ৰাতি হৈছিল। ঘোপমাৰা আন্ধাৰত গাড়ীৰ চলাচলো কম আছিল। আমাৰ বাইকখন আন্ধাৰ আৰু নিৰৱতা ভেদি ঘাইপথৰ মাজেৰে লাহে লাহে গৈ আছিলোঁ। কাজিৰঙা অভয়াৰণ্যৰ মাজেৰে ৩৭ নং ঘাইপথ পাৰ হৈ গৈছে। এই ঘাইপথতে সৰ্বাধিক ঘনত্বৰে ঢেঁকীয়াপতীয়া বাঘ, হাতী, ম'হ, গড়ৰ অহা যোৱা চলি থাকে। মনত এক অজান শংকা লৈ কাজিৰঙাৰ মাজেদি ঘৰমুখী যাত্ৰা কৰি আহি থাকোতে মনত বহু দুঃচিন্তাই আমনি কৰি থাকিল। সেই ৰাতি আকাশ ডাৱৰে আৱৰি থকা বাবে যথেষ্ট অন্ধকাৰ আছিল। আমি ভয় আৰু শংকাৰ মাজেদি আহি থাকোঁতে হঠাৎ টৰ্চ লাইটৰে পোহৰেৰে আমাক ৰবলৈ ইংগিত লগৰজনে বেলেগ ভাৰিছিল যদিও নিৰ্জন ঠাইত সম্ভৱত বন বিভাগৰে মানুহ হব বুলি মই বাইকখন ৰখাই দিছিলোঁ। মানুহ জনে নিৰ্দিষ্ট দূৰত্বৰ পৰা বাইকৰ লাইট অফ কৰি মনে মনে থাকিব দিছিল। সেইসময়ত আমাৰ পিছফালৰ পৰা ট্ৰাক এখনো আহি ৰখি দিলে। ট্ৰাকৰ লাইটৰ কিঞ্চিৎ পোহৰত আমাৰ নিচেই ওচৰত ৰাস্তাত হাতীৰ জাক এটা দেখা পালোঁ। জীৱনত এনেকুৱা পৰিস্থিতিৰ কাহানিও সন্মুখীন হৈ পোৱা নাছিলোঁ। আমাৰ গাৰ নোম থিয় হৈ গৈছিল। চকুৰ সন্মুখত মৃত্যু দেখা পাইছিলো। আমি দুয়ো কোনোমতে বাইকৰ পৰা নামি ট্ৰাকৰ তলত সোমাই গৈছিলোঁ। ঘোপমাৰা অন্ধকাৰত ওচৰে পাজৰে কেৱল হাতীৰ চলাচলৰ শব্দহে অনুভৱ কৰিছিলোঁ। এনেকুৱা শব্দ প্ৰায় আধাঘন্টা পিছত অৰণ্যৰ মাজত বিলীন হৈ গৈছিল।

আমি দুয়ো ঘামি অস্থিৰ হৈ গৈছিলোঁ। অৰণ্যৰ ওচৰ চুবুৰীয়াৰ এয়া সাধাৰণ বিষয় যদিও আমাৰ বাবে এক শ্বাসৰুদ্ধকাৰী ঘটনা।

# ব্যস্ততা এক কুষ্ঠৰোগ

**কাজি শ্বাহাদত ইছলাম**



আজিৰ পৃথিৱীত যান্ত্ৰিকতাই মানুহক ইমানেই গ্ৰাস কৰিছে যে আপোনজনৰ কাৰণে আন্তৰিকতাৰে কিছু পল অতিবাহিত কৰাৰ সময় নাই। টকাক সৰ্বস্ব বুলি ধাৰণা কৰা প্ৰাণীবোৰৰ বিবেক আৰু হৃদয়ত ভালপোৱাৰ নামত যেন অভিনয়েহে বাহৰ পাতিছে। বহুতেই টকাৰে সম্পদ ক্ৰয় কৰাৰ উপৰিও ভালপোৱাক ক্ৰয় কৰাৰ বিৰাট এক যো-জা চলাই নিজৰ দায়িত্বৰ অৱসান ঘটোৱাৰ মিছা কল্পনাত ডুবিব ধৰিছে। সময়ে মানুহক যিমানেই উৰ্ধ দিশতে গতি নকৰাওকনো কিয়, অতীতৰ আমেজবোৰৰ পুনৰাবৃত্তি হোৱাটো কিন্তু সম্ভৱ নহয়। আজি যদি ফাইভ ষ্টাৰ হোটেলত পৰিয়াল সহকাৰে লৈ গৈ ভোজন কৰিছে সেই সুখ বা আমোদ ক্ষন্তেকীয়া। টকা আছে মানে সুখৰ সূৰ্য কিনি আনি পদুলিত স্থাপন কৰাৰ ব্যৱস্থা কৰা হয় যদিও প্ৰকৃততে তাতে কোনো সুখ নাই। টকা বেছি মানে হিচাপ বেছি, হিচাপ বেছি মানে ব্যস্ততা বেছি, ব্যস্ততা বেছি হৈ গ'লে পৰিয়াল বা আপোনজনৰ প্ৰতি থকা দায়িত্বত শিথিলতা আহি পৰে। হয়, টকাৰে কিন্তু লাগতীয়াল খিনি পূৰ্ণ কৰা হয়। কিন্তু আপুনি জানে নে, আপোনাক স শৰীৰে উপস্থিত থকাটোও যে আপোনাৰ পত্নী বা সন্তানে বিচাৰে। আইচক্ৰীম, চকলেট, টেডি, টিভি, ম'বাইল, লেহেংগা, শাৰী, কুৰ্তা, দামী গহনা ইত্যাদিৰ জৰিয়তে আপোনাৰ পৰিয়ালক হয়তো আপুনি সুখ দিয়াৰ চেষ্টা কৰিব কিন্তু আপোনাৰ সন্তানক কান্ধত কোনে ল'ব, পিঠিত তুলি ঘোঁৰা ঘোঁৰা কোনে খেলিব, হাঁহি ধেমালি কোনে কৰিব? আপোনাৰ পত্নীক সাবটি ধৰি তাইৰ শুষ্ক হৃদয়ত প্ৰেমৰ বৰষুণ কোনে বোৱাব? তাইৰো তো মন যায় আপোনাৰ কোলাত উঠি সুধাময় কিছু মুহূৰ্ত কটাব আৰু নিজ কাণেৰে আপোনাৰ বুকুৰ স্পন্দনবোৰ শুনিব!! ৰাতি একেটা গাৰুতে দুটি শিৰৰ যুগ্মতাত পৰিশ্ৰান্ত দিনটোৰ আনন্দ আৰু বিষাদৰ গল্প শুনিব আৰু শুনাব। কিন্তু আপুনিতো বহুত ব্যস্ত। কেতিয়াবা ব্যৱসায়িক ব্যস্ততাত আপুনি ওৰে দিনটো বাহিৰতেই কটাই যেতিয়া ঘৰলৈ উভতে আপোনাক আপোনাৰ সন্তান আৰু পত্নীয়ে তেতিয়া হয়তো সাবটি ধৰে, লগে লগেই আপোনাৰ ম'বাইলত ফোন আহে আৰু আপুনি আকৌ ব্যস্ত হৈ পৰে এঘন্টা দুঘণ্টাৰ নামত। আৰু বহু পৰলৈকে যেতিয়া ম'বাইলত আপোনাৰ কথা কোৱা অন্ত হয় তেতিয়ালৈকে সিহঁত টোপনিৰ বক্ষত মুৰ গুজি দিয়ে। তেন্তে ইয়াতে সুখৰ চানেকি ক'ত? প্ৰতিটো দিনতেই যদি ইয়াৰেই পুনৰাবৃত্তি ঘটে, বাৰু ভাবি চাইছেনে আপোনাৰ জীয়াই থকাৰ উদ্দেশ্য কি? সেইটো কোন সীমান্ত যাক চুবলৈ আপোনাৰ ইমান কঠোৰ প্ৰয়াস।

আপুনি টকা ব্যয় কৰি সন্তানাদিক মাথোঁ পাঠ্যক্ৰমত থকা শিক্ষাৰে শিক্ষিত কৰাটোকেই যথেষ্ট বুলি ভাবেনে? নাহ! সিহঁতৰ বহু শিকিবৰ আছে আপোনাৰ পৰা। আপুনিয়েই সিহঁতৰ আৰ্হি। কিন্তু আপোনাক অনুসৰণ কৰিব লগা সময় খিনি যদি বেলেগৰ সতে কটাবলগীয়া হয় তেন্তে আপুনি জানেনে সেই বেলেগ জনৰ আচৰণেই আপোনাৰ সন্তানৰ গাত লম্ভিব? আৰু এটা মন কৰিবলগীয়া কথা - কেতিয়াবা কিছুমান মহিলাৰ চৰিত্ৰত যদি সামান্য শিথিলতা থাকেও পতিৰ সংগ আৰু ভালপোৱাৰ সান্নিধ্য পাই শুদ্ধ হৈ যায়। কিন্তু পতিৰ ব্যস্ততাৰ বাবে মৰমৰ অভাৱত বেছি ভাগেই ভুল পথ বাছি লয় আৰু পৰকীয়াত সোমাই পৰে। ইয়াতে মই কেৱল পতিক দোষাৰোপ কৰিলেও ভুল হ'ব কাৰণ কেতিয়াবা পত্নীৰ ব্যস্ততাৰ বাবে পতিয়ে বিপথে ভৰি পেলায়। এয়া এক জঘন্য ব্যধি।

ব্যস্ততা এনে এবিধ বস্তু যি হাঁহি থকা সংসাৰ এটাক পলকতে সংহাৰী গতিত পৰিচালনা কৰে। কিছুমান পৰিয়ালত পতি পত্নী দুয়োজনেই চাকৰি নতুবা ব্যৱসায় কৰে আৰু সিহঁতৰ সৰু কেঁচুৱাটোৰ ৰক্ষণাবেক্ষণ কৰাৰ বাবে লগুৱা বা বনকৰা ছোৱালী ৰাখে। প্ৰতিদিন সিহঁতৰ হাতত কেঁচুৱা টোক অৰ্পণ কৰি থৈ অফিচলৈ বা ব্যৱসায়লৈ যায় আৰু গোটেই দিন পাছত ঘৰলৈ উভতে। এই কেঁচুৱাটো যেতিয়া ডাঙৰ হ'ব, তেতিয়া আপুনি ইয়াৰ পৰা কি আশা কৰিব। কেঁচুৱা হ'ল স্বচ্ছ পানীৰ দৰেই...ইয়াক যেনে পৰিৱেশৰ মাজত এৰিব ই তেনে চৰিত্ৰত গঢ় ল'ব। মই পতি পত্নীৰ একেলগে চাকৰি কৰাৰ বিৰোধিতা কৰা নাই, মাথোঁ বাস্তৱতা খিনিক উদঙাই দিছোঁ। আপোনাৰ সন্তান এটা বা দুটা, কিন্তু আপোনালোকৰ সংযুক্ত আয় প্ৰয়োজনতকৈ অধিক বেছি। ভাবেনে আপুনি কাৰ বাবে উপাৰ্জন কৰিছে ইমান টকা? আপোনাৰ সন্তানক যদি আপোনাৰ সান্নিধ্যৰ অভাৱত ছটফটীয়াব লগা হয় তেন্তে কি মূল্য আছে আপোনাৰ সম্পদেৰে গঢ়া পাহাৰৰ? আপোনাৰ অভাৱ পূৰ্ণ কৰাৰ বাবে হয়তো সন্তানে জেদ কৰা প্ৰতিটো বস্তুয়েই কিনি দিব আপুনি, কিন্তু আপুনি নাজানে যে আপোনাৰ আঁৰত আপোনাৰ সন্তানে তাৰে কিমান দুষ্ট চক্ৰৰ লগত জড়িত হৈ পৰিব? এটা সময় হয়তো আহিব পাৰে যেতিয়া আপোনাৰ সন্তানৰ দুষ্কাৰ্যৰ বাবে সম্পদৰ পাহাৰ কিছু কিছু কৰি ক্ষয় গৈ সমতলত পৰিণত হ'ব আৰু আপুনি বাধ্য হৈ একো কৰিব নোৱাৰিৰ লাগি চাইৰ'ব। টকা বা সম্পদ দৰকাৰ দৰেই, প্ৰয়োজনতকৈ কম বা বেছি হ'লে ক্ষতি কৰাটো খাটাং।

সময় শেষ হোৱা নাই, গতিকে আপুনি আজি নহয়....এতিয়াই সংকল্প কৰক আপোনাৰ পৰিয়ালক অনাকাংক্ষিত সংকটৰ পৰা ৰক্ষা কৰিবলৈ। আপুনি হয়তো মৃত্যুৰ শেতেলি শুই পৰিব কিন্তু আপোনাৰ ব্যস্ততাৰ অৱসান নহ'ব। গতিকে কৰ্ম আৰু আনন্দ এটি মুদ্ৰাৰ দুটি পিঠি হিচাপে ভাবি লওঁক। ব্যস্ততা কমাই দিয়ক পত্নী সন্তানক সময় দিয়ক।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286